# পাতিদৰং মহাবিদ্যালয় আলোচনী

ষষ্ঠবিংশতিতম্ প্ৰকাশ

২০১৫ - ২০১৬ বৰ্ষ



দুলাল শৰ্মা
তত্বাৱধায়ক

মফিদুল ইছলাম
সম্পাদক



এখন ভাল কিতাপ এশজন ভাল বন্ধুৰ
সমান। কিন্তু এজন ভাল বন্ধু এটা পুথি
ভঁৰালৰ সমান।

ড০ এ.পি.জে. আব্দুল কালাম

# পাতিদৰং মহাবিদ্যালয় আলোচনী

## শিক্ষাবৰ্ষ ঃ ২০১৫ - ২০১৬

## ষষ্ঠবিংশতিতম্ সংখ্যা

পৰম শ্ৰদ্ধাৰ/মৰমৰ .................................................................................................. লৈ

আন্তৰিক শুভেচ্ছাৰে পাতিদৰং মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটি আগবঢ়ালোঁ।


দুলাল শৰ্মা
তত্ত্বাৱধায়ক

মফিদুল ইছলাম
সম্পাদক

**পাতিদৰং মহাবিদ্যালয় আলোচনী**

প্ৰকাশক ঃ পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

# এই সংখ্যাটি প্ৰকাশৰ নেপথ্যত

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীয়ম বৰকাকতি |
| তত্বাৱধায়ক | ঃ | দুলাল শৰ্মা |
| সম্পাদক | ঃ | মফিদুল ইছলাম |
| শিক্ষক সদস্য | ঃ | তপন কুমাৰ শৰ্মা |
| ছাত্ৰ সদস্য | ঃ | ইণ্টাজুল আলী (সাধাৰণ সম্পাদক ২০১৬-১৭)<br>ভাস্কৰজ্যোতি দাস |
| বেতুপাট পৰিকল্পনা | ঃ | দুলাল শৰ্মা |
| অংগসজ্জা | ঃ | সম্পাদনা সমিতি |
| আলোকচিত্ৰ | ঃ | মুন আহমেদ |
| মুদ্ৰণ | ঃ | এইমচ্ অফছেট প্ৰিণ্টাৰ্চ, বাইহাটা চাৰিআলি<br>ফোন নং ঃ ৯৮৬৪১-৪৪৬৬৭ |

**মহাবিদ্যালয় প্ৰতীকৰ তাৎপৰ্য**

প্ৰতীকটোৰ ওপৰত থকা বন্তিগছিয়ে জ্ঞানৰ পোহৰ বিলাইছে। কেন্দ্ৰস্থলত দৃশ্যমান কিতাপখনে জ্ঞানৰ ভাণ্ডাৰৰ তাৎপৰ্য বহন কৰিছে। তলত খোদিত ১৯৮৯ ৰাশিটোৱে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা বৰ্ষক বুজাইছে। একেবাৰে তলত থকা নামটোৱে মহাবিদ্যালয়খনক স্থানংকিত কৰিছে।

**বেটুপাতৰ তাৎপৰ্য**




পুথিৰ জ্ঞানৰ লগতে আধুনিক কম্পিউটাৰে সমগ্ৰ বিশ্বকে নিয়ন্ত্ৰন কৰিব ধৰিছে।

*আলোচনীখনত প্ৰকাশিত লিখনিসমূহৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়। বৰঞ্চ ক্ষমা প্ৰাৰ্থীহে।*

*সম্পাদনা সমিতি*



# অধ্যক্ষৰ মেজৰ পৰা

মই জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো যে আমাৰ মহাবিদ্যালয়ৰ ২০১৫ - ২০১৬ ৰ্ষৰ মুখপত্ৰ "পাতিদৰং মহাবিদ্যালয় আলোচনী" অনতিপলমে প্ৰকাশ পাব।

এই সুযোগতে মহাবিদ্যালয় জন্মলগ্নৰ পৰা আজিকোপতি জড়িত সকলো ব্যক্তিলৈ শ্ৰদ্ধা নালোঁ। আশা ৰাখিছো- আলোচনীখনত প্ৰকাশ পোৱা লিখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ গুপ্ত তিভাখিনি প্ৰকাশ পোৱাৰ লগতে সময়োপযোগী আৰু বাস্তৱসন্মত চিন্তাধাৰাও প্ৰতিফলিত হ'ব।

এই শুভলগ্নত আলোচনীখনৰ সৈতে জড়িত সকলোকে ধন্যবাদ জনাইছোঁ।

10/11/2016



আলোচনী সম্পাদনা সমিতি



তত্বাৱধায়কবৃন্দৰ সৈতে ছাত্ৰ-একতা সভাৰ একাংশ

# শ্ৰদ্ধাঞ্জলি

মৃত্যু ওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য্য

জ্ঞানৰ কানন সদৃশ "পাতিদৰং মহাবিদ্যালয়" স্থাপন কৰি আমাৰ মাজৰ
পৰা চিৰদিনৰ বাবে হেৰাই যোৱা প্ৰতি গৰাকী পুৰোধা
ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি যাঁচিলোঁ ।

লগতে

অসম, ভাৰত তথা বিশ্বৰ, আমাৰ মাজৰ পৰা চিৰদিনৰ হেৰাই যোৱা
বিশিষ্ট শিল্পী, সাহিত্যিক, শিক্ষাবিদ, বিজ্ঞানী, ৰাজনীতিক,
সমাজসেৱী আদি সকলোলৈ আমি যাঁচিলোঁ
গভীৰ অশ্ৰু-অঞ্জলী ।

— সম্পাদনা সমিতি

# উছৰ্গা

প্ৰাত্যহিক জীৱনৰ বাটত
মুখামুখি হোৱা জটিলতাৰ মাজত
পৰম্পৰাৰ শিখা ধামুচি
ৰূপান্তৰৰ গৰাকী হ'ব খোজা সত্যানুসন্ধানী
প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ হাতত
"পাতিদৰং মহাবিদ্যালয়"ৰ
এই সংখ্যাটি উছৰ্গা কৰা হ'ল।

# কৃতজ্ঞতাৰে সুঁৱৰিছোঁ

*পাতিদৰং মহাবিদ্যালয় আলোচনীৰ পৃষ্ঠা সজাই তোলা প্ৰতিগৰাকী লেখক-লেখিকা, অধ্যক্ষ, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ লগতে আলোচনীখন পোহৰলৈ অনাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অৰিহণা যোগোৱা প্ৰতিগৰাকী ব্যক্তিকে কৃতজ্ঞতা জনাইছোঁ।*

*— সম্পাদনা সমিতি*

# তত্বাবধায়কৰ একলম



পাতিদৰং মহাবিদ্যালয় নামৰ জ্ঞানৰ বন্তিগছি জ্বলোৱা সমূহ ব্যক্তিলৈ শ্ৰদ্ধা জনাইছোঁ। লগতে যিসকলে তেল শলিতা দি বন্তিগছি উজ্বলাই ৰাখিছে সেইসকল সুহৃদলৈও প্ৰণাম যাচিলোঁ।

প্ৰত্যেক সৃষ্টিৰ আঁৰত এক সুকীয়া ইচ্ছাশক্তি থাকে আৰু এই ইচ্ছাশক্তি প্ৰৱল হলে ই মূৰ্ত্তমান হৈ উঠে। নিজৰ সৃষ্টি যিমানে ক্ষুদ্ৰ বা নিম্নমানদণ্ডৰ নহওঁক কিয় ইয়াৰ এটা স্বকীয় মাদকতা থাকে। এই সৃষ্টি সাহিত্য বা আন আন দিশত প্ৰতিফলিত হয়।

সাহিত্য আৰু সমাজৰ এক গাঢ় সম্বন্ধ আছে। বিদ্যালয় আৰু মহাবিদ্যালয় এখন সমাজ সদৃশ। এই সমাজত সাহিত্যৰ গুৰুত্বও অপৰিসীম। কিন্তু দুখৰ বিষয় এয়ে যে আজিকোপতি ইয়াত সাহিত্য সৃষ্টি বা অন্য সৃষ্টিশীল পৰিৱেশ গঢ়ি উঠা নাই। যাৰ বাবে উন্নত মানদণ্ডৰ সাহিত্য সৃষ্টি নোহোৱাত সময়মতে এখন মহাবিদ্যালয়ৰ মুখপত্ৰ প্ৰকাশ কৰাত বাৰে বাৰে থমকি ৰ'ব লগা হয় আৰু মুখপত্ৰ প্ৰকাশত লেহেম হয়।

বৰ্তমান যাত্ৰিক সভ্যতাত মানুহৰ চিন্তাশক্তি আৰু ইচ্ছাশক্তি প্ৰৱল হৈ উঠিছে। ছাত্ৰ-ছাত্ৰীসকলে ঘৰত বহিয়েই গোটেই বিশ্বৰ লগত চিনাকী হ'ব পাৰিছে। তেওঁলোকে জ্ঞানৰ বাবে পুথি অধ্যয়নৰ পৰিৱৰ্তে Computer ত Search কৰিয়েই কম সময়ত ঘৰত জ্ঞান উপাৰ্জন কৰিব পাৰে বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পুথি অধ্যয়নৰ প্ৰতি থকা স্পৃহা কমিবলৈ আৰম্ভ কৰিছে।

মুখপত্ৰৰ এই সংখ্যাটি প্ৰকাশ কৰাত অৰিহণা যোগোৱা সমূহ লেখক/লেখিকা তথা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ালৈ কৃতজ্ঞ হৈ ৰম। অদূৰ ভৱিষ্যতত এখন সৰ্বাংগসুন্দৰ আলোচনী প্ৰকাশ হ'লে নিশ্চয় ই পথেয় হৈ ৰ'ব।

সদৌ শেষত সুহৃদলৈ ধন্যবাদ জনাই আমাৰ মাজত চিৰজ্যোতিস্মান হৈ জিলিকি থাকক "পাতিদৰং মহাবিদ্যালয় আলোচনী"। ইয়াকে কামনা কৰিলোঁ।

শ্ৰীদুলাল শৰ্মা
তত্বাৱধায়ক
পাতিদৰং মহাবিদ্যালয় আলোচনী
২০১৫ - ২০১৬ বৰ্ষ

# সম্পাদকৰ প্ৰাসংগিক চিন্তা



প্ৰতিবেদনৰ আৰম্ভনিতে মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈ যিসকলে নিস্বাৰ্থভাৱে সেৱা আগবঢ়ালে সেই সকল ব্যক্তিলৈ প্ৰণাম যাঁচিছো লগতে যিসকলে ইহলীলা সম্বৰণ কৰিলে তেখেতসকললৈয়ো শ্ৰদ্ধাৰ্ঘ নিবেদিছো।

এই চেগতে পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সাহিত্য আৰু সমাজ এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে। এখন সুস্থ আৰু সমৃদ্ধিশীল সমাজ সাহিত্যৰ উত্তোৰণৰ ওপৰত নিৰ্ভৰশীল। সাহিত্যবিহীন ব্যক্তি আৰু সমাজ পশুৰ দৰে। সাহিত্য হ'ল জাতিৰ মেৰুদণ্ডস্বৰূপ। এটা জাতিৰ সাহিত্য যিমানেই সমৃদ্ধিশীল হ'ব সিমানেই সেই জাতিটো স্বকীয় মহিমাৰে পৰিচিত হ'ব।

**সাম্প্ৰতিকী ঃ** বৰ্তমান সময়ত সমাজৰ আটাইবোৰ দিশতে কেৱল ভ্ৰষ্টাচাৰ, দুৰ্নীতি আৰু জনবিৰোধী কাৰ্যকলাপে গা কৰি উঠিছে। সমাজৰ প্ৰতিটো স্তৰত হত্যা, নিৰ্য্যাতন আৰু প্ৰাণী বিদ্বেষী ভাৱ দেখা যায়। নাৰী নিৰ্য্যাতন এক সহজলভ্য পৰিঘটনা। ভ্ৰূণ হত্যা, যৌননিৰ্যাতন, যৌতুক প্ৰথাই বৰ্তমান সমাজখন দূষিত কৰি তুলিছে। ইয়াৰ বাবে দায়ী পুৰুষৰ সমান্তৰালভাৱে নাৰী সমাজো। নাৰীৰ প্ৰধান শত্ৰু নাৰী।

গড়হত্যা, দুষ্প্ৰাপ্য প্ৰাণীবোৰক নিৰ্মোহ ভাৱে হত্য কৰি সভ্যতাৰ শিশৰলৈ মানৱ গতি কৰিছেনে? পাহাৰৰ গছ কাটি অভিজাত্যৰ শাৰীত থিয় হ'বলৈ গৈ মানৱ দানৱলৈ পৰিণত হৈছে।

জাতীয় চেতনাক অন্ধকাৰলৈ ঠেলি দি সাম্প্ৰদায়িক ৰাজনীতিৰে নেতাগিৰি দেখুৱাবলৈ দৌৰিব লাগিছে। নিজৰ মাতৃ আৰু মাতৃভূমিক আনৰ হাতত গতাই দিবলৈ যেন অলপো কৃপনালি কৰিব নোখোজে। স্বাধীনতা আৰু মানৱীয়তালৈ পিঠি দি স্বকীয় ভংগীমাৰে ধাৱমান হ'বলৈ প্ৰয়াস কৰিছে। সময়ৰ আহ্বানকো নেওচি কেৱল ধৰ্মীয় মেৰুকৰণেৰে সমাজ আৰু দেশক খণ্ড-বিখণ্ড কৰিবলৈ ঢাপলি মেলিছে। মানৱীয়তাৰ কথা দোহাই দি সামান্যতম মানৱীয় প্ৰমূল্যবোধো হেৰুৱাই পেলাইছে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে গোটেই বিশ্বক এখন ক্ষুদ্ৰ গাঁৱত পৰিণত কৰিছে। মানৱৰ অত্যাচাৰত প্ৰকৃতি যেন ৰুষ্ট হৈছে। সেয়ে প্ৰকৃতিৰ ধ্বংসলীলা ক্ৰমবৰ্ধমানভাৱে বৃদ্ধি হ'বলৈ ধৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নেও প্ৰকৃতিৰ তাণ্ডৱলীলাক দমন কৰিব নোৱাৰে। মানৱৰ আভিজাত্যৰ গৌৰৱে পৰিৱেশ প্ৰদূষিত কৰিছে। ফলস্বৰূপে মানৱ হৈ পৰিছে পংগু আৰু অল্পায়ু। ইয়াৰ বাবে জনসচেতনতাৰ নিশ্চয় প্ৰয়োজন। মানুহ মানসিকভাৱে সমৃদ্ধিশালী হ'লেহে সমাজৰ উন্নতি সম্ভৱ হ'ব।

**নিজস্ব অনুভৱ ঃ** পাতিদৰং মহাবিদ্যালয়ৰ মুখপত্ৰ "পাতিদৰং মহাবিদ্যালয় আলোচনী" ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে ইয়াৰ কলেৱৰ ক্ষুদ্ৰ হোৱা দেখা যায়। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰবন্ধ, গল্প, ভ্ৰমণ কাহিনী আৰু সময়োপযোগী লেখাৰ পৰিৱৰ্তে কবিতা সৃষ্টিত অধিক গুৰুত্ব দিয়া দেখা যায়, যাৰ বাবে আলোচনীখন সৰ্বাংগসুন্দৰ কৰাটো টান হৈ পৰে। তাৰোপৰি অনেক লেখক-লেখিকা সময়মতে লেখনিসমূহ জমা নিদিয়াৰ বাবে আলোচনী সময়মতে প্ৰকাশত বাধা আহি পৰে।

যিসকল লেখক-লেখিকাৰ সৃষ্টিৰে এই সংখ্যাটো প্ৰকাশ কৰিব পৰা গ'ল আটাইলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰত দিহা-পৰামৰ্শ দিয়া মাননীয় অধ্যক্ষা বাইদেউ, তত্বাৱধায়ক দুলাল শৰ্মা চাৰ আৰু সমূহ চাৰ-বাইদেউলৈ কৃতজ্ঞতা যাঁচিছো।

সদৌ শেষত কিছু দেৰিকৈ হ'লেও এখন আলোচনী আপোনালোকৰ হাতত তুলি দিবলৈ পাই আনন্দ অনুভৱ কৰিছো আৰু সকলো ভুল-ক্ৰটিৰ মাৰ্জনা বিচাৰি সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু পাতিদৰং মহাবিদ্যালয়
জয়তু পাতিদৰং মহাবিদ্যালয় আলোচনী"
জয় আই অসম।

ইতি—
মহঃ মফিদুল ইছলাম, আলোচনী সম্পাদক
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা




মহাবিদ্যালয়ৰ
কাৰ্যালয় সহায়কবৃন্দ



প্ৰাচীৰ পত্ৰিকা
উন্মোচনৰ এটি মূহুৰ্ত



াগত আদৰণি সভাত মাননীয় বিধায়ক
শ্ৰীযুত সত্যব্ৰত কলিতাদেৱ




অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা "ন-জোন"



অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা
"ন-জোন" উন্মোচনৰ এটি মূহুৰ্ত



গ্ৰন্থাগাৰত গ্ৰন্থাগাৰিক
মহোদয়া



নৱাগত আদৰণি সভাত শিল্পীৰ গীত পৰিৱেশন



অধ্যক্ষা মহোদয়াৰ সৈতে
ছাত্ৰ একতা সভাৰ একাংশ



নৱনিৰ্মিত ভৱনৰ শিলান্যাস স্থাপনৰ মূহুৰ্ত



ছাত্ৰ একতা সভাৰ একাংশ



মহাবিদ্যালয় চৌহদত অধ্যক্ষা মহোদয়াৰ
বৃক্ষৰোপণ

গ্ৰন্থাগাৰত অধ্যয়নৰত অৱস্থাত
কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী



# সূচীপত্ৰ

## প্ৰবন্ধ/চিন্তন


| | | |
|---|---|---|
| The Dependency Theory And North-South Dialogue | ঃ Mrs. Saraju Kalita | ০১ |
| Earthquake its causes and our Preparedness | ঃ Mr. Tapan Kumar Sarma | ০৪ |
| Agricultural Festivals of the Boros | ঃ Mrs. Kalpana Basumatary | ০৭ |
| গ্ৰাম্যাঞ্চল আৰু পৰিৱেশ সজাগতা | ঃ ৰাণী ডেকা | ১০ |
| শিক্ষক দিৱস | ঃ পম্পী গোস্বামী | ১২ |
| দুশ্চিন্তাহীন সু-স্বাস্থ্য জীৱন | ঃ হীৰক দাস | ১৪ |


## ছন্দশিল্প/কবিতা


| | | |
|---|---|---|
| শব্দ | ঃ ৰঞ্জুমা বেগম | ১৭ |
| বনছাঁই | ঃ চুমী নাথ | ১৮ |
| সপোনৰ ঘৰ | ঃ নাজমা বেগম | ১৯ |
| আপোন | ঃ কৰবী দাস | ২০ |
| জীৱন | ঃ প্ৰতিভা দাস | ২১ |
| শূণ্য | ঃ অৰ্পনা বৈশ্য | ২২ |
| প্ৰতিশ্ৰুতি | ঃ জিতু বৈশ্য | ২৩ |
| নিসংগতাৰ বাঁহী | ঃ সংগীতা কুমাৰ | ২৪ |
| তোমাৰ বাবে | ঃ শ্ৰীঊষা বৰুৱা | ২৫ |
| মোৰ চাইকেলখন পুৰণা হিৰ’ | ঃ চুমি নাথ | ২৬ |
| ৰূপান্তৰ | ঃ সংগীতা কুমাৰ | ২৭ |
| দুমুহা | ঃ দীপজ্যোতি কাকতি | ২৮ |
| তোমালৈ বুলি ব’হাগত | ঃ উৎপল বণিয়া | ২৯ |
| এন্ধাৰ আৰু বাস্তৱ | ঃ দুলুমনি ৰাজবংশী | ৩০ |
| নিয়ৰ | ঃ পূজাৰাণী বেজবৰুৱা | ৩১ |
| মন মুঠিৰ ফল | ঃ জানমণি ডেকা | ৩২ |
| বিষাদৰ স্মৃতি | ঃ চিণ্টু চুমন কলিতা | ৩৩ |

## ছন্দশিল্প/কবিতা


| | | |
|---|---|---|
| ◆ আজিৰ সমাজ | ঃ আব্দুৰ ৰাজ্জাক | ৩ |
| ◆ অপেক্ষা | ঃ পৰিণিতা কলিতা | ৩ |
| ◆ সপোন | ঃ ৰাজু চৌধুৰী | ৩৬ |
| ◆ সপোন আহে সপোন ভাঙে | ঃ লিপিকা ডেকা | ৩৭ |
| ◆ পাতিদৰং মহাবিদ্যালয় | ঃ আছমিনা বেগম | ৩৮ |
| ◆ চিগাৰেট | ঃ তুলিকা দাস | ৩৯ |
| ◆ ক্ষোভ | ঃ নিতা মণি কলিতা | ৪০ |
| ◆ প্ৰেম অবিহনে জীয়াই থকাৰ লাভ কি? | ঃ তৃষ্ণামণি ডেকা | ৪১ |
| ◆ আমাৰ মহাবিদ্যালয় | ঃ অঞ্জুমণি ডেকা | ৪২ |
| ◆ তোমাৰ ইচ্ছাৰ বিৰুদ্ধে | ঃ দুলাল দাস | ৪৩ |
| ◆ হতাশা | ঃ ৰিজুৱানা আহমেদা | ৪৪ |


## কথাশিল্প/গল্প শিতান


| | | |
|---|---|---|
| ◆ দুটি অনুভৱ হৃদয়ৰ | ঃ চুমি নাথ | ৪৫ |
| ◆ এবাৰো নুবুজিলা তুমি | ঃ উৎপল বণিয়া | ৪৭ |
| ◆ সঁচা প্ৰেম? | ঃ নিবিড় | ৫১ |


## প্ৰতিবেদন


| | | |
|---|---|---|
| ◆ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ঃ নজমুল হক | ৫৩ |
| ◆ লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ ডিকু কলিতা | ৫৫ |
| ◆ গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ কমল ডেকা | ৫৬ |
| ◆ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | ঃ অমৰজ্যোতি ডেকা | ৫৭ |
| ◆ সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন | ঃ বৰ্ণালী ডেকা | ৫৮ |



| | |
|---|---|
| ◆ পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকবৃন্দ ঃ | ৫৯ |
| ◆ তিনিটা গুৰুত্ব মহত্ব/জানানে কাক কি কয়? | ৬০ |

প্ৰবন্ধ শিতান

# THE DEPENDENCY THEORY And NORTH-SOUTH DIALOGUE

*Mrs. Saraju Kalita*
*Deptt. of History*

**Introduction :**

Dependency theorist regards international capitalism as the motive for behind dependency relationships. Gundar Frank wants to clarify that contemporary under development is in large past the historical product of past continuing economic and other relations between the underdeveloped and newly developed metropolitan countries.

This shows that the capitalist system has give a institutional dimension divisioning labour which is responsible for underdevelopment of many area of the world. Poor countries supply their raw-materials to the developed countries in return they get little qualitative befeficial goods. Division of labour is ultimately explaination of poverty.

Marxist theory of imperialism explains dominant state expansion which dependency theory explains under development Marxist theory explains reasons why imperalism occurs, on the other hand, dependency theory explains the result imperialism.

How can one define Dependency Theory : The theory of dependency is intellectually quite challanging. Because in going to define it, there are disagreements among various strains of dependency theorists. It is quite undenjing fact that there none unified theory of dependency.

Dependency theory posits that cause of low levels of development in less economically developed countries (LEDC) is caused by their reliance dependence on more economically developed countries. Dependency Theory, as a theory based on materialist and structuralist theories, has been for placing too much emphasis on material and economic factors.

The word "Dependencia" originated in Latin America in 1950s and 1960s. The key role in formulating dependencia was played by U.N's Economic Commison for Latin America (ECLA) the Agrention economist Raul Prebisch and U.N. Conference on Trade and Development (UNCTAD). They were concerned with the important problem why Latin America and other Third World weren't developing as anticipated (আগতীয়াকৈ প্ৰত্যাশা কৰে)।

Basic Characteristics : There are three basic and common characteristics of all theories given by the critics.

In the 1st place, dependency characterizes the international system as comprised of two sets of states:

(i) The dominant states are advanced

in organization of Economic Co-operative and Development,

(ii) The dependent states are they, those who have low per capita GNP's.

In the 2nd place, in case of the dependent states, the external forces are of singular forces are of singular importance to economic activities.

In the 3rd place, the definitions of dependency all indicate that the relations between dominant and dependent states are dynamic, because interactions between the two sets of states tend to not only reinforces (অধিক শক্তিশালী কৰা) but also intensity (গতি কৰা/বৃদ্ধি কৰা) the unequal pattern.

Challanges of Dependency Theory : The Dependency Theory confronted a number of serious challanges :

(i) The dependendistas are unable to account for Third World countries that have been relatively economically successful. The international organisations like UN, the World Bank, the IMF indicate that during the last two decades the real living standard economic condition of the Third World countries have grown.

(ii) The Conventional Marxist Critics suggested that the dependency theories run to be romantic, anticapitalist. Such orthodox Marxists view that it is nothing but a sort of reaction against industrial civilization.

(iii) In going to explore the theory it is been that there is no vivid (স্পষ্ট) and clear answer whether dependency is the cause of economic and social backwardness.

(iv) It is also obscure that the dependency theory doesn't offer any historical alternative to capitalism. It is n't distinctly explained whether capitalism should be replaced by other order as may be radically reformed.

(v) The dependency theory ignores some other types of relationship between the elements of the world system- equality or paternership and dominance between large and small states. Moreover, dependencia was concerned with North-South relations while East-West confrontation concerned means less important factor.

**The North-South Dialogue**

The term 'North' and 'South' are used in scientific as well as political discourse to describe the relationship between the rich and industrialized countries on the one hand and the poor, less industrialized countries on the other hand. Having gone through such article the relationship between the developing countries in the South and the industrialized in the North has been discussed. Moreover, North-South Dialogue is used to distinguish this dynamic from the East-West conflict of the Cold War. The term is also to expose the point vividly, the ideological conflict between the communists and capitalists. Whereas, modernization theorists argue that globalization and liberalization offer new opportunities for South, bringing foreign investments, technology as well as foreign expertise to the developing nations.

Structural Aspect : Here, in this topic it is to present the empirical (ব্যৱহাৰিক) data on the important structural features of the North-South divide. The economic and social indicators describe the structural aspects of the North-South divide, a political analysis of the North-South conflict. The history of the

developing countries also plays an important role in this context since it was the experience colonial boudage (পৰাভূত) and domination that creat an anticolonial identity in South.

Issues of North-South Conflict : The western industrialized and developed countries organized the international moneytary and multilaterial (পিছুত হোৱা) trading systems in the post war period. Because of ideological differences with the West, the second World War of the Soviet Union and East European countries set up an ecenomic order with only minimal (নূন্যতম) ties with the First World War. But in the last few years ideological differences between First and Second half have disappeared and both are coming closer to each other.

The Third World comprises about three fourth of the world population, but it accounts for only about one fifth of the world combined gross national product. That's why, the gap between the world's rich and poor have grown and the inequalities are projected to expand further in future.

Kegley and Wittkòpf rightly observe "the present division of the world between over populated and often poverty hunger stricken Southern Hemisphere affluent consuption-oriented, North is thus likely to persist. Many Third World leaders perceive the stark realities as the products of a system. They specially find four defects in their relationship with North.

W.A.Lewis, the Nobel Prize winning economists has summerised them as follows :

(i) The division of the World into exporters of primary products and exporters of manufacturers.

(ii) The adverse factoral items of trade for the products of the developing countries.

(iii) The dependence of the developing countries on the developed for finance.

(iv) The dependence of the developing countries on the developed for the engine of growth.

Phases of Dialogue inside and outside the UN : Various forums of the UN and outside the UN have been constituted to discuss and proceed the North-South Dialogue. For many years the issue of Special United Nations Fund for Economic Development (SUNFED) remained on the agenda of the General Assembly.

In the UN Third World countries demand was expressed in form of three proposals–

i) The United Nations Capital Development Fund (UNCDF).

ii) United Nations Industrial Development Organizations (UNIDO).

iii) The revival of International Trade Organization (ITO) and with the objective to convene a United Nations Conference on the Trade and Development (UNCTA).

Conclusion : It is distinctly presented that there are some political issues in the way of Discussing North-South Dialogue. Of course, other factors come to light that the countries of SOuth differ enormously with regards to their size, their cultural traditations, their climate and resources. Moreover, constitutions take vital role to run the countries. The relationship between Northern countries, especially the dominant East-West Conflict, undoubledly had an enormous impact on the relationship within the South. ❖❖❖

# EARTHQUAKE ITS CAUSES AND OUR PREPAREDNESS

*Tapan Kumar Sarma*
*Asstt. Professor*
*Department of Assamese*

**Introduction :**

The literal meaning of earthquake is shaking or trembling of earth's crust. An earthquake is a vibration or oscillation of the surface of the earth caused by a transient disturbance of the elastic or gravitational equilibrium of the rocks at or beneath the surface. These calamities comprise tropical cyclones, tornadoes, floods, doughts etc. However of all the natural disasters, earthquakes are the most dangerous and deadly environmental hazard causing major damage and loss of life which ultimately depends on their magnitude.

**Causes of Earthquake :**

In the ancient times man was completely helpless before the devastation caused by earthquakes. They thought that an earthquake was an expression of Gods anger. According to Hindu mythology a mighty elephants help up the land. When the elephant lowered and shook its head, causing an earthquake. With the advancement of scientific ideas, the old mythological ideas were discared favour of scientific views and causes of the earthquakes fall into the following categories...

1. Volcanic Activities
2. Folding and Faulting
3. Plate Tectonics
4. Human interface with nature or artificial

**1. Volcanic Activities :**

Volcanic explosions are certainly the most common cause of earthquakes in the neighbourhood of active volcanoes. This type of earthquake caused either under the influence of the increasing pressure of volcanic gases or the subterranean movement of molten lava trying to come up on the earth's surface.

**2. Folding and Faulting :**

A fault is defined as a fracture plane along which the rocks have baan displaced. There are vertical as well as horizontal displacement. Earthquakes are caused due to sudden movements of rocks along faults. The horizontal as well as vertical movements of rocks results from the operation of endogenetic forces beneath the earth's surface. It is due to such movement that folds and faulyts are created. The fracture of the rock causing a tectonic earthquake is due to the elastic stains which are greater than the strength of the rock can with stand produce by the relative displacement of nearby portions of the earth's crust. In fact, the mass movement of blocks of rocks that take place at the time of the earthquake are the sudden elastic rebounds of the sides of the fracture towards positions of non-elastic stain.

**3. Plate Tecttonics :**

According to the theory of plate tectonics, the surface of earth consists of 15

plates comprising the rigid upper mantle and the oceanic and continental crust. Out of the total number of plates 6 are major and 9 are minor plates. This plates are always moving.

It may be noted that the plate boundaries are placed into three distinct categories- constructive, destructive and conservative plate boundaries, its with different characteristics. Constructive plate boundaries are those where two plates moving in opposite direction from the mid-oceanic ridges. The destructive plate boundaries are those where two plates moving in opposite direction collide with each other. As the collision takes place, the heavier plate boundary under goes subduction into the mantle beneath another plate which made of lighter geo material. This is one characterised by most widespread and disastrous earthquakes. On the contrary, the conservative plate boundaries do not collide, rather the two plates slip past each other. Needless to say that earthquakes of varying degrees of intensity are caused by different types of plate motion.

**4. Human interface with nature or artificial:**

Sometimes human interface with nature causes artificial earthquake. The underghround testing of H- bombs, blasting of rocks by dynamites for the construction of roads in mountain regions, deep underground mining for the extraction of minerals and similar other human activities may also cause of earthquake.

However, all the earthquakes which are caused by human activities are not so terrifying and disastrous as the plate tectonic earthquake.

**OUR PREPAREDNESS :**

**Before an Earthquake :**

1. Look around places where you spend time. Identify safe places such as under a sturdy piece of furniture or against an interior wall in your home, office so that when the shaking starts, you drop to the ground, cover your head and neck with your arms and if a safer place is nearby, crawl to it and hold on.

2. Practice how to "Drop, cover and hold on." To react quickly you must practice often. You may only have seconds to protect yourself in an earthquake.

3. Before an earthquake occurs, secure items that could fall and cause injuries (e.g Bookshelves, mirrors, light fixtures).

4. Store critical supplies (e.g water, medication, torch light, radio) and documents.

5. Plan how you will communicate with family members.

6. When choosing your home or business, check if the building is a earthquake resistant per local building codes.

**DURING AN EARTHQUAKE**

**If you are inside in a building :**

1. Stay where you are until the shaking stops. Do not run outside. Do not get in doorway as this does not provide protection from falling objects and you may not be able to remain standing.

2. Drop down on to your hands and knees so the earthquake does not knock you down. Drop to the ground (before the earthquake drops you).

3. Cover your head and neck with your arms to protect yourself from falling debris.

4. If you are in danger from falling objects and you can move safely, crawl for additional cover under a sturdy desk or table.

5. If there is low furniture or an interior wall or corner nearby and the path is clear these may also provide some additional cover.

6. Stay away from glass. Windows, outside door and walls and anything that could fall, such as light fixtures or furniture.

7. Hold on to any sturdy covering so you can move with it until the shaking stops. Stay where you are until the shaking stops.

8. Identify an inside corner of the room away from windows and objects that could fall on you. People who use wheelchairs or other mobility devices should lock their wheels and remain seated untill the shaking stops. protect your head and neck with your arms, a pillow, a book or whatever is possible.

9. If you are in bed, stay where and cover your head and neck with pillow, at night hazards and debrids are difficult to see and avoid, attempts to move in the dark result in more injuries than remaining in bed.

## IF YOU ARE OUTSIDE WHEN YOU FEEL THE SHAKING

10. If you are outdoors when the shaking starts, move from building, streetlights and utility wires. Once in the open, "drop, cover and hold on", Stay there until the shaking stops. This might not be possible in a city, so you may need to duck inside a building to avoid falling debris.

11. If you are in a moving vehicle, stop as quickly and safely as possible as stay in the vehicle, Avoid stopping near or under buildings, trees, over passes and utility wires. Proceed cautiously once the earthquake has stopped. Avoid roads, bridges or ramps that the earthquake may have damaged.

## AFTER AN EARTHQUAKE

1. When the shaking stops, look around. If there is a clear path to safety, leave the building and go to an open space away from damaged areas.

2. If you are trapped, do not move about or kick up dust.

3. If you have a cell phone with you, use it to call or text for help.

4. Tape on a pipe or wall or use a whistle, if you have once, that rescuers can locate you.

## CONCLUSION

Extreme events are often of the greatest importance to man. A large variety of natural calamities strike the earth's surface. Nonetheless, an earthquake becomes a very destructive natural hazard. For examples Tokyo earthquake 1923, the Assam earthquake of 1950, Latur earthquake 1993, Nepal earthquake 2015 etc. But earthquake prediction is a complex problem. Let us hope that the science efforts and researches made in this direction will bear fruits in years to come.

## BIBLIOGRAPHY

1. Husain, Majid : "Fundamentals of Physical Geography", Third Edition. Rawat Publications, New Delhi, 2007.
2. Lal, D.S.: "Physical Geography," First Edition, Sharda Postak Bhawan, Allahabad, 2009.
3. Tikkha, Dr. R.N.: "Physical Geography", Revised edition, Kedar Nath Ram Nath & Co, Meerut (U.P.)
4. ভাগৱতী, ড° অৰুনী কুমাৰ ঃ "প্ৰাকৃতিক দুৰ্যোগ", প্ৰথম প্ৰকাশ, ৰেখা প্ৰকাশন, গুৱাহাটী, ২০১৫।
5. গোহাঁই, দিলীপ কুমাৰ আৰু বৰা, হৰেন্দ্ৰ নাথঃ "নতুন সংস্কৰণ, মিত্ৰ এজেঞ্চি এণ্ড কোঃ তিনিচুকীয়া, ১৯৯৭।

◆◆◆

# AGRICULTURAL FESTIVALS OF THE BOROS

*Kalpana Basumatary*
*Asstt. Professor, Deptt. of Bodo*

**Introduction :**

The Bodos are one of the tribe of Bodo group people under greater Mongolian race. They are considered as the earliest immigrants of Assam. It is believed that this tribe arrived in Assam from the Tibet through Bhutan passes. Their basic concentration is to be found in the Western part of Assam, particularly the north bank of Brahmaputra, besides that they can be found in different parts of Assam as well as in Nepal, Bhutan, North-Bengal and boarder areas of Bangladesh. As, the primitive settlers of Assam valley, the bodo community is considered to be the most traditionally and culturally rich community of the state. They are recognized as a plain tribe in the sixth schedule of the Indian Constitution. They have distinctive culture, tradition, religion, language and literature of their own.

**Agricultural Festivals of the Boros :**

The development of culture of a society is expressed through its activities. It is closely related to the rites and rituals, art and practices of the society. Fairs and festivals are essential aspects of cultural life of the people of any region. These fairs and festivals are socio-religions in content. The festivals of Boro are mainly agricultural, but also include religious and social flavours, as such the festivals of the Boros can be classified as –

(i) Religious Festivals and
(ii) Agricultural Festivals.

Agricultural Festival is also known as seasonal festival. The Boros are primarily agriculturists and as such, almost all the festivals of them are related with agriculture cycle. They observe several major and minor agricultural festivals through out the whole year. The agricultural or seasonal festivals of the Boros are –

(i) Bwisagw
(ii) Magw Domashi
(iii) Kati-gasa or Gasa hwnai
(iv) Khwtia Phwnai
(v) Mai-gainai
(vi) Mainao lainai
(vii) Ongkham gwlwi janai or Ongkham gwdan janai etc.

**i) Bwisagw :**

The most popular agricultural or seasonal festivals of the Boros is 'Bwisagw'. In the month of Baishak i.e. in the month of mind April this festival begins which is the new year for the Boro tribes. This festival is celebrated with great excitement. This festival starts with the Worship of cow like in the Bihu of Assamese people. The next day the supreme God 'Bathou' is worshipped by offering prasad and rice-beer. The young people bowed down

to their parents and elders in this day. This is followed by dance which is participated by all without any limitation of age or sex and is followed by grand feast where rice-beer and meat is served. Colourful folk dances are performed during this festival.

The Bwisagw festival has some characteristics like -

(a) 'Gwkha-Gwkhwi Janai' or eating bitter and sour tested wild vegetables on the day of 'Sankranti' or the day before the first day of the new year.

(b) Bathing the cattle (Mwsou thukwinai).

(c) Worshipping the gods and goddesses

(d) Worshipping the ancestors

(e) Merry making and enjoying at the entrance of the new year.

**(ii) Magw Domashi :**

It is also another important social festival of the Boros. The Boro way of celebrating this festival is very much like that of the Assamese 'Bhagali Bihu'. The characteristics of this festival are to enjoy with different types of foods like Dao bedor (chicken), Oma bedor (pork), cakes or pithas, to entertain the friends and relatives with foods and drinks and to enjoy singing and dancing. This festival is celebrated on the last day of the month 'Puh'.

On this day the male members of the family tie cords around the fruits-bearing trees of the house. The Boros believe that the fruit-bearing trees would bear more and more fruits if the trees are tied with cords of straw during the Magw Domashi. The young boys construct the 'Bilagur' or 'Bhelaghar' with dried banana leaves and green bamboos. They also arrange a bonfire with the big peices of fuel (generally stolen) and spend sleepless night singing, dancing, eating, drinking, merri-making. During Domashi festival Boro people make cakes (Pithas) of rice with various names such as pitha laodum, Thaoni Pitha, anthao pitha, anasi phitha, asi phitha, hasung pitha, etc. and make different types of laodoos like coconut ladoo, suji ladoo, til ladoo etc.

**(iii) Kati Gasa :**

The Kati-gasa is also another agricultural festival of the Boros and this festival is also as like as Assamese Kati-Bihu. This festival is observed on the last day of the month 'Ahin'. It is observed by the Boros by burning 'gasa' (chaki) or the earthen lamp at the paddy field, at the altar of the 'Bathou', at the cowshed (goli) and at the granary in the evening of the last day of 'Ahin'.

**(iv) Khwthia Phwnai (Sowing seeds of paddy) :**

After making the field ready by ploughing the owner of the Boro house offer a pair of arecanuts and betel leaves to the godess 'Mainao' (Lakshmi) and salutes towards the east, after which he starts sowing the seeds of paddy.

**(v) Maingainai (paddy plantation) :**

At the first time of paddy plantation the elderly female member of the house offers a pair of arecanuts and betel leaves in the name of Mainao or the goddess of wealth and applying a little mustard oil on a small quantity of seedlings the elderly female member salutes towards the east and then starts plantation. Then other members of the family start

plantation all saluting to the east.

(vi) **Mainaw lainai (Bringing Mainaw or Lakshmi from the paddy field to the house):**

When the paddy becomes ripe and suitable for reaping, the male or female guardian of the family brings a small quantity of paddy from the paddy field to the house and after sprinkling holy water on it the small bundle of paddy is kept inside the Bakhri (granary) of paddy.

(vii) **Ongkham Gwdan or gwlwi janai :**

It means the first eating of new rice. This ceremony is held within the month of December after harvesting of the major rice crop of the year 'maisali'. On this day the new rice is taken inviting the neighbouring persons. Along with the new rice, Dao bedor (chicken) with andola (curry of rice powder), Fish curry, and jau or jumai (rice-bear) are also supplied in abundance. Before taking anything they offer a little quantity of cooked-rice and andola Wngkhri of Dao bedor to the gods and goddess (mainly to 'Bathou Bwrai' and 'Mainao Buri' and to the agricultural instruments.

**Conclusion :** From the above discussion it is clear that, Agriculture is the main occupation of the Boro community and chief source of their livelihood and as such almost all the festivals of the Boros are related with agriculture. Agricultural festivals are usually celebrated around the pre-harvesting or the post-harvesting period. From the various festivals and rituals one can easily understand the rich and raw culture of Boro people.

**References :**


1. Brahma, K : A study in cultural heritage of the Boros.
2. Chatterji, S.K. : Kirata-Jana-Kriti.
3. Endle, S : The Kacharies.
4. Narzaree, Indramalati : Boro Harimu arw Thunlai bijirnai.
5. Narzaree, I and Narzaree B : Laishini bikhayao Indramalati.


◆◆◆



*Agriculture is the BACKBONE of the Indian Economy. The word agriculture is the english adaptation of latin agricultūra, from ager, "a field", and cultūra, "cultivation" in the strict sence of "tillage of the soil".*

প্ৰবন্ধ শিতান

# গ্ৰাম্যঞ্চল আৰু পৰিৱেশ সজাগতা

ৰাণী ডেকা
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

সীমিত উদ্যোগসমূহৰ বাবে আমাৰ দেশখন অৰ্থনৈতিকভাৱে যথেষ্ট পিছপৰি আছে যদিও প্ৰকৃতিয়ে আগবঢ়োৱা অনবদ্য অৱদানেৰে দেশখনৰ মানৱ সম্পদসমূহ সকলো দিশৰ পৰাই স্বাৱলম্বী হ'ব পাৰে। কিন্তু ইয়াৰ মাজতো উদ্বেগজনক বিষয়টো হৈছে জীৱ-জন্তুৰ বাসভূমিৰ লগতে জীৱ-জন্তুৰ হ্ৰাস পোৱা আৰু ইয়াৰ ফলত জৈৱ-বৈচিত্ৰ শুৱনি কৰি ৰখা, বিভিন্ন থলুৱা প্ৰজাতিৰ জীৱ-জন্তুৰ সংখ্যা ক্ৰমাৎ বিলুপ্ত হোৱা। এনে প্ৰেক্ষাপটত ক্ৰমহ্ৰাসমান জীৱ-জন্তু আৰু প্ৰাণীৰ আৱাসৰ পুনৰ বিন্যাসৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি পৰিৱেশ সজাগতাৰ দৰে এক গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি মনোনিৱেশ কৰা হৈছে।

পৰিৱেশ সম্পৰ্কে সকলোৰে এক নিশ্চিত আৰু সামগ্ৰিক ধাৰণা থকাটো প্ৰয়োজন। সকলো সজীৱ প্ৰাণী জীয়াই ৰখা প্ৰকৃতি বা পৰিস্থিতি পৰিৱেশৰ অন্তৰ্ভুক্ত কৰিব পাৰি। শিশুৰ জন্মপূৰ্ব অৱস্থাত মাতৃগৰ্ভৰ পৰিস্থিতিকো পৰিৱেশতে অন্তৰ্ভুক্ত কৰিব পাৰি। 'পৰিৱেশ' হৈছে এক সামগ্ৰীক বিধৰ অৰ্থ বহনকাৰী শব্দ। 'Environment' শব্দটো ফৰাচী ভাষাৰ 'Environner' শব্দৰ পৰা আহিছে যাৰ অৰ্থ হৈছে 'To Surround', ইয়াৰ শব্দগত অৰ্থ হৈছে আমাৰ চাৰিওফালে জৈৱিক আৰু অজৈৱিক উপাদানেৰে পৰিৱেষ্টিত কৰি ৰখা পৰিস্থিতি।

আধুনিক সমাজ ব্যৱস্থাত পৰিৱেশৰ প্ৰতি সচেতন হৈ পৰাটো অধিক প্ৰয়োজনীয় হৈ পৰিছে। পৰিৱেশ প্ৰদূষণে সমগ্ৰ পৃথিৱীখনক আগুৰি ধৰিছে বুলি ক'লেও ভুল কোৱা নহয়। পৰিৱেশ প্ৰদূষণ মুক্ত কৰিবলৈ হ'লে সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ পৰিৱেশৰ প্ৰতি সজাগতা থকাটো অতি আৱশ্যকীয়। ভাৰসাম্যহীন উন্নয়নৰ দ্বাৰা পৰিৱেশৰ ব্যাপক ক্ষতি সাধন হৈছে। ফলত সমগ্ৰ মানৱ জাতি তথা পৃথিৱীখনক ধ্বংসৰ মুখলৈ ঠেলি দিয়া হৈছে।

পৰিৱেশীয় সজাগতা বুলি ক'লে স্বাভাৱিকতে, পৰিৱেশৰ বিভিন্ন উপাদানসমূহৰ প্ৰতি সচেতন প্ৰাপ্ত হোৱা অৱস্থাকে বুজা যায়। পৰিৱেশৰ বিভিন্ন উপাদানসমূহৰ প্ৰতি সচেতনতা, সক্ৰিয়তাইহে ব্যক্তিক পৰিৱেশৰ প্ৰতি দায়িত্বশীল হোৱাত অৰিহণা যোগায়। পৰিৱেশীয় সজাগতা সৃষ্টি কৰাটো যিকোনো পৰিৱেশমূলক কাৰ্য ক্ৰমণিকাসমূহৰ সৰ্ব প্ৰথম উদ্দেশ্য।

সুস্থ-সবল পৰিৱেশে ব্যক্তিক সুন্দৰভাৱে জীয়াই ৰখাত অৰিহণা যোগায়। জনগণৰ মাজত পৰিৱেশ সচেতনতা থাকিলেহে পৰিৱেশ সকলোৰে বাবে গ্ৰহণযোগ্য হ'ব পাৰে।

ব্যক্তিৰ মনত পৰিৱেশ সচেতনতা আনিবলৈ বিশ্বত নানা ধৰণৰ প্ৰচেষ্টা চলাই থকা হৈছে। ১৯৯২ চনত ব্ৰাজিলৰ ৰাজধানী 'ৰিঅ"-ডি-জেনেৰিঅ'ত অনুষ্ঠিত হোৱা আৰ্থ সন্মিলন আৰু ২০০২ চনত জোহান্সবাৰ্গত অনুষ্ঠিত হোৱা বহনক্ষম উন্নয়নৰ বিশ্ব সন্মিলনত পৰিৱেশ সম্পৰ্কীয় আলোচনা কৰা হৈছে। এই সন্মিলনত মত পোষণ কৰা হয় যে জনসাধাৰণৰ সহযোগিতা অবিহনে বহনক্ষম উন্নয়নৰ মূল লক্ষ্যত উপনীত হোৱা অসম্ভৱ। সেয়ে জনসাধাৰণৰ মাজত পৰিৱেশ শিক্ষাৰ প্ৰসাৰ এনেকুৱা কৰা উচিত যাৰদ্বাৰা তেওঁলোকে নিজে অনুভৱ কৰিব পাৰে যে পৰিৱেশ প্ৰদূষণে বৃহত্তৰ মানৱ সমাজক ধ্বংসৰ মুখলৈ ঠেলি নি আছে। বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিটো জৈৱ-অজৈৱ উপাদান এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। বৃহত্তৰ মানৱ সমাজখন সুদৃঢ় কৰি পৃথিৱীখন জীয়াই ৰাখিবলৈ প্ৰত্যেকজন ব্যক্তি পৰিৱেশ সংক্ৰান্তত অতি সচেতন হোৱা প্ৰয়োজন।

আমাৰ দেশৰ পৰিৱেশ আৰু বন মন্ত্ৰালয়ে ১৯৮৬ চনত আহমদাবাদৰ পৰিৱেশ শিক্ষাকেন্দ্ৰ 'Centre for Environmental Awareness; (CEE)'ৰ সহযোগত 'National Environmental Awareness Campaign (NEAC)' আৰম্ভ কৰিছিল। ইয়াৰ মুখ্য উদ্দেশ্য আছিল গোটেই দেশজুৰি বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত পৰিৱেশ সজাগতা সৃষ্টি কৰা। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ব বিদ্যালয়, স্বেচ্ছাসেৱী সংস্থা, বৃত্তীয় সংস্থা আদিকে ধৰি প্ৰায় ৩০০তকৈ অধিক সংগঠন এই কামত জড়িত। ইয়াৰ বাবে সমগ্ৰ দেশজুৰি আলোচনা চক্ৰ, কৰ্মশালা, প্ৰশিক্ষণ, পাঠ্যক্ৰম, জনসভা, ইকোকেম্প, ৰেলী, তথ্যচিত্ৰ প্ৰদৰ্শন, পোষ্টাৰ, নাটক, বাটৰ নাট, তৰ্কসভা আদিৰ আয়োজন কৰা হয়।

পৰিৱেশৰ প্ৰতি গএঞা ৰাইজৰ সজাগতা সম্পৰ্কে অধ্যয়নৰ বাবে উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটী মহানগৰীৰ পৰা প্ৰায় ৫০কিঃমিঃ দূৰৰ এখন গাঁৱত উপস্থিত হৈছিলো। গাওঁখনৰ গএঞা সকল অধিকাংশই কৃষিজীৱি আৰু গাওঁখনৰ, প্ৰাকৃতিক সৌন্দৰ্য্যও অতি মনোৰম। ইয়াত নানা জাতি, ধৰ্ম, ভাষাৰ লোকে অতি মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। শিক্ষিতৰ হাৰ তেনেই নগন্য। তেওঁলোকক পৰিৱেশ সংৰক্ষণ, সুৰক্ষা আৰু সজাগতাৰ প্ৰতি লক্ষ্য ৰাখি বহু কেইটা প্ৰশ্ন উত্থাপন কৰা হৈছিল। প্ৰশ্নসমূহৰ ভিতৰত গছ-পুলি ৰোৱাৰ প্ৰতি আগ্ৰহ, খোৱা পানীৰ অপৰ্য্যাপ্ততা, প্লাষ্টিক-পলিথিনৰ ব্যৱহাৰ, গছকটা, ৰাসায়নিক সাৰ ব্যৱহাৰ, ৰন্ধন কাৰ্য্যত গেছ আৰু খৰিৰ ব্যৱহাৰ, আৱৰ্জনা পেলোৱা ঠাই, স্বচ্ছ অভিযানৰ প্ৰতি গুৰুত্ব আদি।

গএঞালোকে প্ৰশ্নৰ প্ৰতিক্ৰিয়াৰ প্ৰতি লক্ষ্য ৰাখি বুজা গৈছে যে গএঞালোক পৰিৱেশ সংৰক্ষণ, সুৰক্ষা তথা সজাগতাৰ প্ৰতি যথেষ্ট সচেতন। গএঞাসকলে তেওঁলোকৰ বহুতো সমস্যা ব্যক্ত কৰিছিল আৰু তেওঁলোকৰ কোনো পৰিবেশীয়, সংস্থাৰ সৈতে জড়িত নাই বুলিও প্ৰকাশ কৰিছে। যদিও তেওঁলোকৰ কোনো সংস্থাৰ লগত জড়িত নাই তথাপি গএঞা সকল, পৰিৱেশ সজাগতাৰ প্ৰতি অতি সচেতন। ১০০% লোকে প্লাষ্টিক ব্যৱহাৰ কৰে, ৭০% লোকে পানী সংৰক্ষণক গুৰুত্ব দিয়ে। ৬০% লোকে মাঙ্গলিক অনুষ্ঠানত গছ-পুলি ৰোপনৰ প্ৰতি গুৰুত্ব দিয়ে। তেওঁলোকৰ ওচৰত কোনো বনাঞ্চল নাই বুলি দুখ প্ৰকাশ কৰে আৰু বন্য জীৱ-জন্তুৰ প্ৰতি তেওঁলোক অতি দয়াশীল। আৱৰ্জনাবোৰ ঘৰৰ পৰা দূৰৈত গোট খুৱাই থৈ দিয়ে আৰু প্লাষ্টিকবোৰ জুই লগাই দিয়ে। ৪০% লোকে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰে আৰু তাৰ ফলত যে মাটিৰ গুণাগুণ হ্ৰাস পাইছে সেয়াও তেওঁলোকৰ জ্ঞাত। ৮২% ল'ৰা-ছোৱালীয়ে পৰিৱেশ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়ে। শৌচালয় তথা অনাময় ব্যৱস্থা পৰিয়ালৰ মাজত দেখা যায়। চৰকাৰৰো এই ক্ষেত্ৰত গুৰুত্ব নাই নাইবা অনাময় আঁচনিয়েও তেওঁলোকক ঢুকি পোৱা নাই।

তথ্যসমূহৰ পৰা উল্লেখ কৰিব পাৰি যে এই গাঁৱৰ গএঞাসকল শিক্ষাৰ ক্ষেত্ৰত অধিক উন্নত নহ'লেও পৰিৱেশ সুৰক্ষা, সংৰক্ষণ তথা সজাগতাৰ প্ৰতি যথেষ্ট সচেতন।

জনসাধাৰণৰ পৰিৱেশীয় সজাগতাৰ ওপৰত পৰিৱেশ সংৰক্ষণ নিৰ্ভৰ কৰিছে। যি সময়ত বিশ্ববাসী পৰিবেশৰ প্ৰতি সজাগ হৈ উঠিছে, সমসাময়িকভাৱে অসমৰ গএঞা ৰাইজো পৰিৱেশৰ প্ৰতি সজাগ হোৱাটো অধিক প্ৰয়োজনীয় হৈ পৰিছে। আধুনিক যুগৰ নৱ প্ৰজন্মক পৰিৱেশৰ প্ৰতি সচেতন হ'বলৈ ১৯৯১ চনত উচ্চতম ন্যায়ালয়ে শিক্ষাৰ পাঠ্যক্ৰমত পৰিৱেশ সম্পৰ্কীয় কাৰ্য্যসূচী অন্তৰ্ভূক্ত কৰি যি ৰায় দিছে সেয়া এক যুগান্তকাৰী পদক্ষেপ। বিভিন্ন স্বেচ্ছাসেৱী সংস্থাসমূহ, বৃত্তীয় সংস্থা, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ যুৱ প্ৰজন্ম সমূহে গএঞা ৰাইজৰ মাজত সোমাই গাঁৱলীয়া সমাজ তথা বিশ্বক পৰিৱেশ সজাগতাৰ প্ৰতি জগাই তুলিব বুলি আশা থাকিল।

◆◆◆

# শিক্ষক দিৱস

*পম্পী গোস্বা*
*স্নাতক তৃতীয় ব*

পাঁচ ছেপ্তেম্বৰ দিনটোক সমগ্র ভাৰতবৰ্ষই শিক্ষক দিৱস হিচাপে পালন কৰি আহিছে। আচলতে প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক আমি সকলো ভাৰতীয়াই শিক্ষক দিৱস হিচাপে পালন কৰো। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ হ'ল স্বাধীন ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি। তাৰ উপৰি তেওঁৰ পৰিচয় হ'ল মহান শিক্ষাবিদ তথা দাৰ্শনিক পণ্ডিত হিচাপে।



প্ৰকৃততে 'শিক্ষক দিৱস' দিনটোক সমগ্ৰ বিশ্বই আনন্দ উৎসৱৰ দিন হিচাপে পালন কৰে। প্ৰায় সমগ্ৰ বিশ্বতে পাঁচ ছেপ্তেম্বৰ দিনটোক 'বিশ্ব শিক্ষক দিৱস' হিচাপে পালন কৰে। কাৰণ এটা জাতি গঠনৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া আৰম্ভ হয় এজন শিক্ষকৰ হাত দৰি। এজন শিক্ষকেই ছাত্ৰসকলক শুদ্ধ পথৰ সন্ধান দিয়াৰ লগতে সমূচিত শিক্ষাৰে ভৱিষ্যতৰ দেশৰ গৌৰৱ হিচাপে গঢ়ি তোলে। শিক্ষকতাক সমগ্ৰ বিশ্বতে অন্যতম মহান কৰ্ম হিচাপে বিবেচনা কৰি অহা হৈছে। সেয়ে শিক্ষক সমাজৰ এই মহান ত্যাগক যথোচিত স্বীকৃতি প্ৰদানৰ লগ তেওঁলোকৰ প্ৰতি সন্মা প্ৰদৰ্শন কৰাৰ বাবেই এ পৱিত্ৰ দিনটো পালন ক হয়। সেয়ে ইউনেস্ক উদ্যোগতে পাঁ ছেপ্তেম্বৰত শিক্ষ দিৱসৰ আয়োজন ক হয়। আন দিনাৰ দৰে সেইদিনা শিক্ষক-ছা সকলো যথাৰীতি বিদ্যালয়লৈ যায় যদি সেইদিনা কোনে পাঠদান নহয়। তা বিপৰীতে অন্যান কাৰ্যসূচী ৰূপায়ণ ক আনন্দ-উৎসৱ কৰা হয় বহু দেশে চৰকাৰীভাৱে শিক্ষকসকলক সন্মানি কৰে। যেনেকৈ আমা দেশত কৃতী শিক্ষক সন্মান প্ৰদানৰ ব্যৱস্থা আছে। বিংশ শতিকাৰ প কোনো কোনো দেশে নিজাকৈ শিক্ষক দিৱস আয়োজন কৰিবলৈ ল'লে। এইবোৰ দেশত এই পৱি দিনটো উদ্‌যাপিত হয় ভিন্ন তাৰিখত। কিছুমান দে কোনো স্থানীয় শিক্ষাবিদ বা শিক্ষাৰ ক্ষেত্ৰখনৰ কোনে বিশেষ কৃতিত্বক স্মৰণ কৰাৰ বাবেও নিৰ্দিষ্ট দিন শিক্ষক দিৱস পালন কৰে। বিশ্ব শিক্ষক দিৱসৰ স'

একেদিনতে উদ্‌যাপিত হ'লেও ড° ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষেহে শিক্ষক দিৱস হিচাপে পালন কৰে। বৰ্তমান সময়ত বিশ্বৰ প্ৰায় অধিকাংশ দেশেই নিজাববীয়াকৈ কোনো নিৰ্দিষ্ট দিনত শিক্ষক দিৱস পালন কৰে।

তামিলনাডুৰ টিৰুটান্নি নামৰ এখন অখ্যাত গাঁৱত ১৮৮৮ চনৰ পাঁচ ছেপ্তেম্বৰত জন্মগ্ৰহণ কৰিছিল ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে। ১৯০৯ চনত এম, এ, পাছ কৰিয়েই তেওঁ মাদ্ৰাজ প্ৰেচিডেন্সী কলেজৰ দৰ্শন বিভাগৰ অধ্যাপক হিচাপে শিক্ষকতাৰ জীৱন আৰম্ভ কৰে মাত্ৰ ২১ বছৰ বয়সত। ইয়াৰ পাছত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিছিল। সেই সময়ছোৱাতে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে দাৰ্শনিক পণ্ডিত হিচাপে বিশ্বতে খ্যাতি অৰ্জন কৰে। আনকি ইংলেণ্ডৰ হেৰিছ মানচেষ্টাৰ কলেজতো শিক্ষকতা কৰিবলৈ তেওঁ আমন্ত্ৰণ লাভ কৰিছিল। শিক্ষাৰ ক্ষেত্ৰখনৰ প্ৰতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে যোগোৱা অৰিহণাৰ বাবে ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জে তেওঁক 'নাইট হুড' বা 'ছাৰ' উপাধিৰে বিভূষিত কৰিছিল। অৱশ্যে ভাৰতে স্বাধীনতা অৰ্জন কৰাৰ পাছৰে পৰা তেওঁ সেই উপাধি নিজৰ নামৰ পৰা কৰ্তন কৰিছিল। ইয়াৰপূৰ্বে তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ পদৰ বাবেও নিৰ্বাচিত হৈছিল। ১৯৩৯ চনৰ পৰা ১৯৪৮ চনলৈকে মদন মোহন মালব্যৰ আক্ৰমণক্ৰমে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ পদৱী অলংকৃত কৰিছিল। ভাৰতে স্বাধীনতা অৰ্জন কৰাৰ পাছতে তেওঁ ইউনেস্ক'ত ভাৰতক প্ৰতিনিধিত্ব কৰে আৰু পাছলৈ ছোভিয়েট ৰাষ্ট্ৰসংঘত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে কিছুকাল কাৰ্যনিৰ্বাহ কৰে। ১৯৫২ চনত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ দেশৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। তাৰ পাছত তেওঁ ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতিৰ দায়িত্ব গ্ৰহণ কৰে। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ কাৰ্যকাল আছিল ১৯৬২ৰ পৰা ১৯৬৭ চন। যেতিয়া ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'ল তেতিয়া তেওঁৰ একাংশ ছাত্ৰ আৰু বন্ধুৱে পাঁচ ছেপ্তেম্বৰৰ জন্মদিনটো উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ তেওঁৰ অনুমতি বিচাৰিলে। প্ৰত্যুত্তৰত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল- "মোৰ জন্মদিন পালন কৰাতকৈ, পাঁচ ছেপ্তেম্বৰটো শিক্ষক দিৱস হিচাপে পালন কৰিলেহে মই অধিক সুখী আৰু গৌৰৱান্বিত হ'ম"। সেই তেতিয়াৰ পৰাই অৰ্থাৎ ১৯৬২ চনৰ পৰা পাঁচ ছেপ্তেম্বৰ দিনটোত ভাৰতত শিক্ষক দিৱস উদ্‌যাপিত হৈ আহিছে।

◆◆◆

## মহৎ লোকৰ বাণী

- জীৱনৰ সময় বৰ কম। পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা। — *কৃষ্ণকান্ত সন্দিকৈ*
- যিয়ে এবাৰ বিশ্বাসঘাটকতা কৰিছে তেওঁক পুনৰ বিশ্বাসত নল'বা। — *শ্বেক্সপীয়েৰ*
- খন্তেকীয়া সময় কটোৱাৰ আটাইতকৈ ভাল উপায় হ'ল কিতাপ পঢ়া। — *মাৰ্টিন টুপাৰ ৰে*
- যিয়ে আনক জানে তেওঁ বিদ্বান, যিয়ে নিজক জানে তেওঁ জ্ঞানী। — *লাওচি*

# দুশ্চিন্তাহীন সু-স্বাস্থ্য জীৱন

হীৰক দাস
স্নাতক দ্বিতীয় মহলা

বৰ্তমান সময়ত যান্ত্ৰিকতাৰ ব্যস্ততাত কোনো ব্যক্তিৰে প্ৰাণখুলি হাঁহিবৰ সময়কণ নোহোৱা হৈছে। কাৰণ কামৰ ইমানেই হেঁচা যে তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। যিবোৰে কৰি আছে তেওঁবিলাকেহে জ্ঞাত এইক্ষেত্ৰত। তেওঁলোকৰ ঘৰত নানা ধৰণৰ সমস্যাই দেখা দিয়ে যিবোৰে সমস্যাবোৰ সমধান কৰিব পাৰে তেওঁলোকহে সফল আৰু যিবোৰে নোৱাৰে তেওঁলোকে হতশাত ভোগে। ফলত তেওঁলোক মানসিক ভাৱে দুৰ্বল হৈ পৰে আৰু এটা সময়ত সেই ব্যক্তিবোৰ মানসিক ৰোগত আক্ৰান্ত হয়। তাৰ ফলত যিহকে পায় তাকে বকিবলৈ আৰম্ভ কৰে। যাৰফলত নান সমস্যাই মূৰ দাঙি উঠে। বৰ্তমান সময়ত প্ৰায়বোৰ আত্মহত্যাৰ মূল হ'ল প্ৰেমত প্ৰতাৰণা। যিবোৰে প্ৰেমত প্ৰতাৰণা হোৱাৰ পিচত নিজৰ জীৱনটো ধ্বংস কৰি পেলাইছে সেইবোৰ লোক আচলতে মূৰ্খ। প্ৰেমত সাধাৰণতে ছোৱালীয়ে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰে। তাৰ প্ৰধান কাৰণ হ'ল অভিভাৱকৰ বাধা। কোনো পিতৃ-মাতৃয়ে নিবিচাৰে যে মোৰ ছোৱালীজনীয়ে দুখত দিন কটাওক। কিছুমানৰ হয়তো নিজৰে সমস্যা থাকে। অন্ধবিশ্বাস, এটা ভাল চাকৰি তেওঁলোকে এবাৰো পিতৃ-মাতৃৰ কথা ভাবি চোৱাৰ কিয় বাৰু সময় নাথাকে? পিতৃ-মাতৃয়ে কিমান দুখ-কষ্ট কৰি নিজৰ সন্তানক ডাঙৰ-দীঘল কৰে। এজনে আত্মহত্যা কৰাৰ পিচত পিতৃ-মাতৃয়ে যদি আমাৰ একেসমনীয়া ল'ৰা-ছোৱালী দেখে তেতিয়া তেওঁলোকৰ অন্তৰখন ভাগি পৰে। ফলত নানান দু-চিন্তাই আগুৰি ধৰে। যি ব্যক্তিৰ মন দুচিন্তাৰে ঠাহ খাই থাকে তেওঁবোৰৰ আয়ুস কমি আহে আৰু মৃত্যুৰ মুখত পৰে। বৰ্তমান যুগত আধুনিক প্ৰযুক্তি বিদ্যাৰ সজুঁলি ব্যৱহাৰ কৰি বহুক্ষেত্ৰতে ব্লেকমেইল কৰা দেখা গৈছে। সাধাৰণতে কিছুমান মানুহ আছে সিহঁতবোৰ বহুত নামী-দামী, উচ্চ শিক্ষিত আভিজাত্য সন্তান। কিছুমান মহিলাৰ যৌন আবেদনময়ী ভিডিঅ' কৰি বহুতকে বিপদত পেলাই আহিছে। কিছুমানে এইবোৰ সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথটো বাচি লয়। তাৰ বাহিৰে একো পথেই নাথাকে। কাৰণ ঘৰৰ মানুহক যদি বিশ্বাস দিব নোৱাৰে সেই সময়ত হতাশাত ভোগা যায়। যদি আমি হতাশত ভোগাটো বন্ধ কৰিব পাৰো, দুচিন্তা দূৰ কৰি যদি সুচিন্তাত আমি ব্যস্ত থাকো তেনেহলে আমি সত্যতা প্ৰমাণ কৰিব পাৰিম। এই ক্ষেত্ৰত হতশাত ভাগি নপৰি সমস্ত ঘটনাটোক ভালদৰে বিশ্লেষণ কৰি বিচাৰি উলিয়ব চেষ্টা কৰি এই ঘটনাটোৰ আটাইতকৈ বেয়াটোনো কি হ'ব পাৰে? সেইখিনি সময়ত বহুতে বহু বেয়াকৈ প্ৰচাৰ চলাবই। তথাপিতো নিজকে শান্ত কৰিব লাগিব। কাৰণ সমস্যাবোৰ নিজৰেই। আনৰ সমস্যা নহয়। বৰ্তমান মানুহবোৰে আনৰ বেয়াটো সমালোচনা কৰি ভাল পায়। সি আমুক, সি তামুক। যেতিয়া লংকাৰ ৰজা ৰাৱণে সীতাক অপহৰণ কৰি লৈ গৈছিল ৰাৱণ ৰজাৰ আদেশত সীতাক এটা কোঠাত বন্দী কৰি থৈছিল। পৱন পুত্ৰ হনুমানে লংকাত গৈ যেতিয়া সীতাক বিচাৰি পোৱা নাছিল তেতিয়া হনুমানে খঙতে লংকাখন গোটেই জুই লগাই দিছিল। অৱশেষত হনুমানে সীতাদেৱীক বিচাৰি পালে এটা কোঠাৰ চাৰিওফালে জুয়ে ঢাকি ৰখা অৱস্থাত। তেতিয়া হনুমানক কৈছিল যে, 'হনুমান, তুমি মোক উদ্ধাৰ কৰিবৰ বাবে জুই লগাইছিলা আৰু এতিয়া তুমিয়েই এই জুই নুমুৱাব লাগিব।'

দ্বিতীয়তে, নিজকে মানসিকভাৱে প্ৰস্তুত কৰিব

লাগে যে পৰিস্থিতি যেনেকুৱাই নহওঁক কিয়, তাৰ সতে সদায় বুজা-বুজি কৰিবলৈ চেষ্টা কৰিব লাগে যে মই ইয়াক কি দৰে আৰম্ভ কৰিলে সফল হম আৰু পাৰিলে তোমাৰ এজন ভাল বন্ধু বা বান্ধৱীৰ আগত কথাষাৰ অৱগত কৰিব লাগে। যদি সঁচা অৰ্থত ভাল বন্ধু বা বান্ধৱী হয় তেনেহলে সেই দুখৰ সমভাগী হ'ব আৰু এটা ভাল উপদেশ দিব যি উপদেশ সেই হতশাত ভোগাৰ পৰা মুক্ত কৰিব পাৰে। সদায় যদি ইয়াতকৈও বেয়া পৰিণতিতো মানি ল'ব পাৰিলে মনটো বেচ ফৰকাল হৈ পৰিব। এইদৰে মনৰ শান্তি ঘুৰাই পাব পাৰি।

তৃতীয়তে, সকলো সমস্যাত সকলো ব্যক্তিয়ে সকলো ধৰণৰ সমস্যাৰ মুখা-মুখি হ'ব লাগে। জীৱনৰ সমস্যাবোৰক লৈ মিচাতে দুচিন্তাত ভোগাৰ কোনো যুক্তি নাই। নিজকে সেইখিনি সময়ত এনে এটা মানসিক অৱস্থালৈ উন্নীত কৰিবৰ কাৰণে অপ্ৰাণ চেষ্টা কৰিব লাগে যাতে নিজৰ সমস্যা সমাধানত জটিলতা আহি নপৰে। দুচিন্তাৰ ক'লা ডাৱৰে আমাক গ্ৰাস কৰাৰ সময়ত সেই সময়ত সেই কাৰ্য্যকৰী ভাৱে আমাক তাৰ কৱলৰ পৰা মুক্ত কৰি আনিব পাৰে।

ওপৰৰ তিনিটা কৌশলে আমাৰ মনোবল যোগাব পাৰে। আমাক মজবুত ভেটিৰ ওপৰত থিয় কৰাব পাৰে। যিয়ে আমাক অস্তিত্বৰ উমান দিব। আমাৰ ভৰিৰ তলত যদি মজবুত ভেটিয়েই নাথাকে তেনেহলে আমিনো কেনেদৰে সমস্যাৰ মোকাবিলা কৰিম? আপুনি নিশ্চয় জানে যে আঠুলৈকে বোকাত পোত গৈ থকা অৱস্থাত আপুনি কেতিয়াও জপিয়াব নোৱাৰে। জপিয়াবলৈ হ'লে ভৰিৰ তলত টান ভেটি থকাতো অত্যান্ত প্ৰয়োজন।

সি যি কি নহওঁক কিয়, যিটো ইতিমধ্যে ঘটি গৈছে তাক অতি সহজে সৰ্বান্তকৰণে মানি লোৱাটো উচিত, কাৰণ তেওঁৰ অনুগামী তথা বুদ্ধিমানৰ কাম। ইতিমধ্যে যি ঘটি গৈছে তাক মানি ল'ব পাৰিলেহে দুৰ্ভাগ্যৰ সতে যুজাৰ মনোবল তথা জীৱনী শক্তি আহৰণ কৰি তাক পৰাভূত কৰিব পৰা যায়। প্ৰকৃত মানসিক শক্তি তেতিয়াহে আহে যেতিয়া আটাইতকৈ বেয়া কিবা এটাক মানি ল'ব পাৰি। মনস্তত্ব দিশৰ মই ভাবো ইয়াৰ অৰ্থ হ'ল শক্তিৰ মুক্তি। এদিনাখন মই এখন কিতাপৰ পাত লুটিয়াই থাকোতে মোৰ চকু থমকি ৰ'ল, সেইখিলা পাতত ডাঙৰকৈ লিখা আছিল এটা চমৎকাৰ বাণী- 'চৰমৰ মুখা-মুখি হওঁক, আটাইতকৈ বেয়া অৱস্থাৰ পৰা উন্নতি লাভ কৰাৰ পদ্ধতি কৰোতে কৰোতে এটা নতুন আমাৰ মনলৈ আহে আৰু সমস্যা সমাধানত সহায়ক হয়।'

এছিয়াত এজন বিখ্যাত আমেৰিকান ব্যৱসায়ী 'গেলেন ফিচাফিল্ড' বৰ্তমানে ষ্টাৰ পাৰ্ক এণ্ড প্ৰিমেণ্ট কোম্পানীৰ প্ৰাচ্য বাণিজ্যিক শাখাৰ ডিৰেক্টৰ, তেওঁ চাৰিটা কৌশল ব্যৱহাৰ কৰিছিল আৰু সমস্যাৰ নব্বৈ শতাংশৰ পৰা মুক্ত হৈছিল। সেইকেইটা হ'ল—

(ক) স্পষ্টকৈ দুচিন্তাৰ কাৰণবোৰ লিখি পেলোৱা।

(খ) মোৰ সেই দুচিন্তাবোৰ দূৰ কৰিবৰ কাৰনেনো মই কি কি পন্থা অৱলম্বন কৰিব পাৰো। সেইবোৰ এফালৰ পৰা লিখি পেলোৱা।

(গ) তাৰ পিছত নিজৰ কৰণীয় কামত সিদ্ধান্ত গ্ৰহণ কৰা।

(ঘ) সিদ্ধান্তটোক লগে লগে প্ৰয়োগ কৰা।

তেওঁৰ সমস্ত সফল্যৰ মূল হ'ল দুচিন্তা বিশ্লেষণ কৰি তাক পোনে পোনে মুখা-মুখি হোৱা। এই পদ্ধতি ইমান কাৰ্য্যকৰী কিয়? কাৰণ ই সমস্যাৰ গভীৰত প্ৰৱেশ কৰিব পাৰে। তদুপৰি ই সেই চৰম কৌশলক কামত লগাই। একো নকৰাকৈ বহি থাকিলে তথ্য সংগ্ৰহ কৰা সকলো পৰিশ্ৰম ব্যৰ্থ হয়।

সি যিয়েই নহওঁক, আমি উভয়ে দুচিন্তা আঁতৰাই ভাল চিন্তা কৰাৰ কাৰণে সংকল্পবদ্ধ হওঁ। এখন নিকা সমাজ গঢ়াত মনোনিৱেশ কৰো। সমাজৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আঁতৰাই আমি এখন সুস্থ-সৰল, নিকা এখন ভাৰতবৰ্ষ পৃথিৱীৰ আগশাৰীৰ দেশৰ লগত মিলাব পাৰো। ◆◆◆



কবিতা শিতান

# শব্দ

ৰঞ্জুমা বেগম
স্নাতক তৃতীয় বৰ্ষ

শব্দৰ লগত আছে
মোৰ ভালপোৱা
শব্দই মোক আকৰ্ষিত কৰে,
উমলিবলৈ
সেই শব্দৰ আকৰ্ষণ
অনুভৱ কৰিয়েই মই
গভীৰ ভাৱে শীতল মনটোত
চিন্তা কৰি
উকা বগা কাগজখনত
লিখি যাওঁ।
মোৰ নীলা চিয়াহীৰ কলমটোৰে
কিছুমান শব্দ
যিয়ে ৰূপ লয় কবিতাৰ
সেই কবিতাৰ মিঠা শব্দৰে
মই বিচাৰি পাওঁ মানৱতা
সেই নিৰৱভাৱে
লিখি যাব বিচাৰো কিছুমান
মানৱ প্ৰেমৰ কবিতা
আৰু শেষ হ'ব নিবিচৰা
কিছুমান অনুৰাগৰ কাহিনী
যিয়ে মোক প্ৰেৰণা দিয়ে।
এই শব্দৰ ৰাগীত
মোৰ নীলা চিয়াহীৰ
কলমটোৰে বুজিব পাৰে
মোৰ মনৰ ভাষা।

◆◆◆



# বনছাঁই

চুমী নাথ
স্নাতক তৃতীয় বৰ্ষ



অতীতত মই
এজোপা বিশাল অৱয়বৰ
সুন্দৰ বটগছ আছিলো
"মোৰ সুন্দৰতা খিনিয়ে মোৰ কাল হ'ল
তুমি যে মোক দেখা পালা
পথৰ দাঁতিত............
তাৰ পৰা তুলি আনি
মোক ৰুই থলা টাবত
কত যতনেৰে
তোমাৰ ঘৰৰ বেলকনি শুৱনি কৰি
মোৰ এটা নতুন নাম দি
বনছাঁই ............।
মোৰ বিশাল অবয়ৱক
সুক্ষ্ম কৰি তুমি বনছাঁই আৱিস্কাৰ কৰিলা
তথাপিও পাহৰিব পৰা নাই
মই এক মহীৰূপ
আৰু তাৰ পৰিৱৰ্তে তুমি...
তুমি এক ধ্বংসকাৰী বৈজ্ঞানিক...।

◆◆◆

## মহৎ লোকৰ বাণী

◆ সাক্ষৰতা আৱশ্যকীয়, কিন্তু কেৱল সাক্ষৰতাই নহয় যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সম্বন্ধ নাথাকে, তেন্তে শিক্ষা অভিশাপ স্বৰূপ হৈ হয়। — *ৰাধাকৃষ্ণ*

◆ আসমীয়া ভাষা আমাৰ মাতৃভাষা। মাতৃৰ নিচিনা বাবেই মাতৃয়ে বেজাৰ পোৱা কাম কৰা সন্তানসকলৰ পক্ষে অতি অযুগুত। ইয়াকে জানি অসমীয়া সকলে মাতৃভাষাৰ প্ৰতি, শ্ৰদ্ধা আৰু ভক্তি প্ৰকাশ কৰা উচিত। — *আনন্দৰাম ঢেকিয়াল ফুকন*

# সপোনৰ ঘৰ

নাজমা বেগম
স্নাতক তৃতীয় বৰ্ষ

মোৰ জীৱনটো আধৰুৱা,
মোৰ সপোনবোৰ নিথৰুৱা,
সপোনত সাঁজিছো কাৰেংঘৰ
কিন্তু দিঠকত ভাঙিছো ঘৰটিক
সপোনত হৈছো তোমাৰ
কিন্তু দিঠকত হৈছো আনৰ,
মোৰ জীৱনৰ প্ৰতিটো
কথা আধৰুৱা
তেল থাকিলে চাকি জ্বলে
কিন্তু লক্ষ্য থাকিলে
সপোন দিঠকত ফলে!!

◆◆◆





# আপোন

*কৰবী দাস*
*স্নাতক তৃতীয় বৰ্ষ*

মোৰ জীৱন বহুত দুখেৰে ভৰা
তোমালোকে কি বুজিবা,
নাভাবিবা তোমালোকে মোক
মিছাতে অভিমানি বুলি,
নহয় মই অভিমানি
নহয় মই অহংকাৰী
মই মাথোন প্ৰেয়সী তোমাৰ।

বিষাদ চকুপানীৰে নদী বোৱাই
তোমাক বিদায় দিলো,
তুমি গুচি গলা মোৰ হৃদয় ভাঙি
আশা, সপোন থান-বান কৰি
তোমাক লৈয়ে সাজিছিলো মোৰ
আশাৰ সপোন, তুমিয়ে
আছিলা মোৰ বুকুৰ আপোন।


◆◆◆

# জীৱন

*প্ৰতিভা দাস*
*স্নাতক তৃতীয় বৰ্ষ*

মাথোন দেখিছো
তোমাৰ স্বপ্ন
দুটি নয়নেৰে।
আছিল বহুতো সপোন
তোমাৰ স'তে
সাজিছিলো বালি ঘৰ
নিৰবে নিৰৱে।।

নিয়তিৰ কঠোৰ নীতিত
যেতিয়াই এজাক ধুমুহা আহি,
কৰিলে ধ্বংস সকলো
মনত পৰে মোৰ
অতীতৰ কাহিনী।
হিয়াৰ মাজত ৰাখিছো
খামুচি ধৰি।




বহু আশাধাৰী জীৱনৰ সপোন
ধ্বংস কৰিলে নিয়তিয়ে মোৰ জীৱন।
মনত পৰিলে সেই কথা
হিয়াত সৃষ্টি হয় প্ৰৱল ধুমুহা
আজি নাই কোনো আশা,
নাই কোনো জীৱনৰ ভৰষা।
কেৱল সুপ্ত অশ্ৰুৰে দচকু উখহা
মই আছো জীয়াই
ভাগ্যক ধিয়াই
কৰিছো অপেক্ষা
শুভ দিন আহে বা কেতিয়া.........।

◆◆◆

# শূণ্য

অৰ্পনা বৈশ্য
পঞ্চম ষান্মাসিক



জীৱনটো এটি শূণ্য
য'ত মৃত্যু নিশ্চিত সত্য
তথাপিও আশাৰ পথেৰে আগবাঢ়ি
পাইছো ক'ত দুখ বেদনা।

সুখ আহে মিচিকিয়াই
দুখৰ ঢৌৰে আকৌ উটুৱাই নিয়ে
দূৰলৈ, বহু দূৰলৈ........
য'ত সুখৰ অকণো অস্তিত্বই নাই
কি বিচাৰিছো আমি বোৰে
এই মহাশূণ্যত........?
যিটো সত্য আমাৰ আগতেই জ্ঞাত
মৃত্যুই সত্য কথা
আমিবোৰ মাথো নায়ক নাইবা নায়িকা
জগতখন ৰংগ মঞ্চ
কাল তিনিটা ইয়াৰ খণ্ড
মৃত্যুই হৈছে ইয়াৰ সমাপ্ত.......।

◆◆◆

## মহৎ লোকৰ বাণী


- কিতাপে আধুনিক পৃথিৱীখনক শাসন কৰিছে। যি সমাজত কিতাপৰ প্ৰচলন নাই, সেই সমাজ থকা নথকা একে কথা। — *ভট্টদেৱ*
- বন্দুকৰ গুলীয়ে কোনো আদৰ্শকে হত্যা কৰিব নোৱাৰে। — *জ্যোতিপ্ৰসাদ*
- নামত কি আছে? গোলাপ ফুলক বেলেগ নাম দিলেও তাৰ সুগন্ধি একে থাকিব। — *শ্বেক্সপিয়েৰ*

# প্ৰতিশ্ৰুতি

জিতু বৈশ্য
পঞ্চম ষাণ্মাসিক

তোমালৈ মনত পৰে
তাহানিতে তুমি দিয়া
প্ৰতিশ্ৰুতিবোৰৰ কথা।
ভাবিলে দুখ লাগে, দুখ লাগে তুমি আৰু মই
ৰচা সপোনবোৰৰ কথা।
তোমাৰ বাৰু মনত পৰেনে?
তুমি যে কৈছিলা তুমি মোৰ হ'বা
আৰু মোৰ বুকুৰ মাজত থাকিবা
তেতিয়াটো তুমি অট্টালিকা নাইবা
বিলাসী গাড়ী বিচৰা নাছিলা।
বিচাৰিছিলা মাথো মোৰ সঁচা মৰম
কেনেকৈ পাহৰিব পাৰিলা?
তুমি দিয়া সেই প্ৰতিশ্ৰুতিবোৰৰ কথা





তোমাৰ বাৰু এবাৰো মনত নপৰেনে?
তুমি যে প্ৰায়ে মোক কৈছিলা
মোক এৰি নাযাবা সোণ।
ক'তা মইতো কেতিয়াও তোমাক
এৰি নগলো।
গলা মাথো মোক এৰি
সদায় অপেক্ষা কৰো তুমি আহিবা বুলি
কিন্তু তোমাকতো বিলাসীতাই
সকলো সলনি কৰি দিলে
কেনেকৈ যাব পাৰিলা তুমি মোক এৰি
মই সদায় আপেক্ষা কৰিম
তুমি আকৌ আহিবা বুলি।

◆◆◆

# নিসংগতাৰ বাঁহী

*সংগীতা কুমাৰ*
*পঞ্চম ষান্মাসিক*

কৰবাত বাজিছে এটি
নিসংগতাৰ সংগহীন বাঁহী
কিযে বিষাদৰ সুৰ
ৰিক্ত কৰে মনটি
নাই যেন সৰলতা
নাই যেন আশা আকাংশা
কেৱল আছে আৰু আছে
তাত দগদগ যন্ত্ৰণা
য'ত লেৰেলি যায়
অযুত সপোন।
যাৰ বাবে লৈ আছো বুকুত যন্ত্ৰণা
তেওঁতো হৃদয়ৰ স্থবিৰ প্ৰতিমা
সকলো ঠিকে আছে
তথাপি কিয় শুনো
বতাহৰ উচুপনিত
নিসংগতাৰ কোলাহল।

◆◆◆

## কৌতুক

- চিনেমাৰ পৰিচালকে নায়কক নিৰ্দেশ দি আছে
পৰিচালক ঃ এই দৃশ্যটোত তুমি দহ মহলাৰ ওপৰৰ পৰা জপিয়াব লাগিব।
নায়ক ঃ ই কেনেকৈ সম্ভৱ? ইমান ওখৰ পৰা জপিয়ালে মই মৰি থাকিম।
পৰিচালক ঃ কোনো কথা নাই। এইটোৱেই চিনেমাখনৰ শেষ দৃশ্য।
- দেউতা ঃ মনত ৰাখিবা সোণ, সদায় একে ঠাইতে গৈ থাকিলে সন্মান কমি যায়।
পুত্ৰ ঃ দেউতা, সেই কাৰণে মই সদায় কলেজলৈ নাযাওঁ।

*বৰ্ণালী দাস*
*স্নাতক দ্বিতীয় ষান্মাসিক*

# তোমাৰ বাবে

*শ্ৰীঊষা বৰুৱা*
*পঞ্চম ষান্মাসিক*

মোৰ উকা মন দৰ্পনত
নিলিখা মাথো তোমাৰ নাম
মোৰ গানৰ সুৰত
তুমি সুৰ দি
মোৰ কবিতাত ছন্দ মিলালা।

এই সকলোবোৰ যেন অতীতত
আছিল চিনাকী,
বৰ্তমান এইবোৰ সকলো অচিনাকী।
যেন নদীৰ পানী আহিছে
আৰু আগলৈ গতি কৰিছে
তাত নাই কোনো চিনাচিনি।

কিয় আহিছিলা মোৰ জীৱনলৈ
যদি যোৱা বাৰিষাৰ অশ্ৰু হৈ,
মিছা মৰমৰ এনাজৰীৰে বান্ধি
কিয় দুখৰ সমুদ্ৰত পেলালা।।

◆◆◆


## মহৎ লোকৰ বাণী

- বন্ধুত্ব হৈছে দুটা দেহত বাস কৰা এটা আত্মা। — *এৰিষ্টটল*
- জীৱনটো কামেৰে জোখা হয়, বয়সেৰে নহয়। — *বেঞ্জামিন ফ্ৰেংকলিন*
- নিৰক্ষৰতা মানেই জ্ঞান বিহীন নহয়। — *ৰবীন্দ্ৰ নাথ ঠাকুৰ*

# মোৰ চাইকেলখন পুৰণা হিৰ'

চুমি না
চতুৰ্থ ষাণ্মাসিক

মই উপস্থিত হ'ব নোৱাৰিম
তোমাৰ ঘৰৰ পদুলিত।
সিদিনা ১৪ ফেব্ৰুৱাৰী,
ভেলেণ্টাইন ডে'ৰ দিনা
যিদিনা তোমাৰ বিয়া।



সু-সজ্জিত ৰভাৰ তলিত
আয়তীৰ উৰুলিৰে মুখৰিত হ'ব চৌদিশ।
ঘৰৰ প্ৰত্যেকজন ব্যক্তিয়ে
ব্যস্ত থাকিব অভ্যৰ্থনাত
আৰু তোমাৰতো ব্যস্ততাৰ অন্ত নাই সিদিনা,
আদিৰ পৰা অন্তলৈ তুমিয়েই
আগবঢ়াই নিব লাগিব
নায়িকাৰ ভূমিকাটো......!
প্ৰজাপতি নামৰ নাটখনিত
সকলোৰে কেন্দ্ৰবিন্দু তুমি........।


হয়তো এই স্বৰ্গীয় অনুভৱৰ পৰা
ময়ে বিৰত থাকিব লাগিব
যাব নোৱাৰিম মই
তোমাৰ বিয়াৰ দিনা
কিয়নো সিদিনা ঘৰৰ পদুলিত
বৰ বৰ মানুহৰ,
দামী দামী বিলাসী গাড়ীৰ সমদলত
মোৰ পুৰণা হিৰ' চাইকেলখনে
শোভা নাপাব.......।

◆◆◆

# ৰূপান্তৰ

সংগীতা কুমাৰ
চতুৰ্থ ষাণ্মাসিক

হে আকাশ
কিয় ইমান গুজৰি গুমৰি আছ?
বাৰে বাৰে পোহৰবোৰ কিয় কাঢ়ি নিয়া।
এন্ধাৰত বাট বুলিবলৈ বৰ কষ্ট জানা!
কিছু শান্ত হোৱা
কিছু সময়ৰ বাবে।
বহুদিনৰ মূৰত জীওজনী উভতিছে
মোৰ কাষলৈ
তই ইমান স্বাৰ্থপৰ নহবিচোন
আজি ৰাতিটো তাইক শুৱাও বুলি ভাবিছো
মোৰ কোলাত।
চুমা আঁকি দিম বুলি ভাবি থৈছো অতদিনে
তাইৰ দুগালত........।
তায়ো অনুভৱ কৰক মাতৃৰ নিটোল মৰমকণ
বুজি উঠক মমতা কি?
তাইতো মোৰ মৰমৰ জী
কালিলৈ কাৰোবাৰ পত্নী
কাৰোবাৰ আদৰ্শ বোৱাৰী
আৰু কাৰোবাৰ ঔৰসৰ সন্তান গৰ্ভধাৰণ কৰি
বাট দেখুৱাব এটি দেৱশক্তিক
এই পৃথিৱীত........
অনন্ত প্ৰতীক্ষাৰ........ৰূপান্তৰৰ
এখন সচেতন নিকা সমাজৰ.........।



◆◆◆

# ধুমুহা

*দীপজ্যোতি কাকতি*
*স্নাতক দ্বিতীয় বৰ্ষ*

বগলীৰ শুধ বগা ডেউকাৰ দৰে
উকা হৈ পৰি আছে বহীখন
কমলটোৰো প্ৰায় একে অৱস্থা
ৰিফিল নায়েই......
মই লিখা কবিতাবোৰো পৰি আছে
টেবুলৰ ড্ৰয়াৰত
এজাক ধুমুহাই মোৰ জীৱন
চুৰ-মাৰ কৰি পেলালে
আৰু মই হয়টো কাহানিও দিব
নোৱাৰিম বাতৰি কাকতত কবিতা।
মোৰ অবিহনে বাৰু জীয়াই থাকিবনে
কলেজীয়া মোৰ বন্ধুসকল
মোৰ জীৱনত কাহানিও নঘটা ঘটনা
এটি ঘটিল......
মোৰ সো হাতৰ বুঢ়া আঙুলিটো
অকামিলা হৈ পৰিল।

◆◆◆





# তোমালৈ বুলি ব'হাগত

উৎপল বণিয়া
স্নাতক দ্বিতীয় বৰ্ষ

ফাগুন, চ'তত গছবোৰ
লঠঙা হৈ পৰে।
বহাগত গছবোৰে
নতুন পাত ধৰে।
গছৰ ডালত কুলিটিয়ে
কুউ কুউ কৰে।
সেই সময়ত তোমালৈ মোৰ
ঘনাই মনত পৰে।
ব'হাগত শিপিনীয়ে
তাঁতত বাছে বুটা।
তুমিও জানো মোলৈ বুলি
বৈচানে গামোচা।
তুমি অহাৰ দিনৰে পৰা
মন ৰঙে উপচি পৰে।

তুমি গ'লে দুচকুত মোৰ
টোপনি নধৰে।
তোমাৰ কথা ভাবিলে মন
ভাগৰ ভাগৰ লাগে।
তোমাৰ চকুলৈ চালে
মোৰ আমনি নালাগে।
ব'হাগত আহিবা বুলি
আছো বাটে চাই।
পিছে তুমি ব'হাগত
আহিবানে নাই?

◆◆◆

# এন্ধাৰ আৰু বাস্তৱ


*দুলুমনি ৰাজবংশী*
*স্নাতক প্ৰথম ষাণ্মাসিক*

এটা নিষ্প্ৰভা আবেলি
হাতৰ পৰা কলমটো থৈ
খিৰিকীৰ বাহিৰলৈ চাই পঠিয়ালো।
ৰঙা সূৰুযে
দূৰণিৰ পাহাৰৰ গৰ্ভত লুকুৱাব
ধৰিছে
দূৰণিত জিলিকা সূৰুযৰ আভা
লাহে লাহে নোহোৱা হৈ গৈছে
ক্ৰমে হতাশাৰে ভৰা এন্ধাৰ।
কেউদিশে বিয়পি পৰিল
কিন্তু এন্ধাৰ মোৰ বাবে
এক অনুভূতি।
এন্ধাৰে মোক লৈ যায় গভীৰৰ পৰা গভীৰতালৈ।
যিদৰে এন্ধাৰত শুভ্ৰ শেৱালীয়ে
প্ৰাণশক্তি
তেনেদৰে ইয়ো কাম্য
হঠতে।
ফিৰফিৰিয়া বতাহ এজাকে
মোৰ অন্তৰাত্মা চুই গ'ল।
যেন মই সাৰ পালো
এটি সপোনৰ পৰা
ঘূৰি আহিলো দূৰ্বল
বাস্তৱলৈ...........।।

◆◆◆

# নিয়ৰ

*পুজাৰাণী বেজবৰুৱা*
*স্নাতক প্ৰথম ষান্মাসিক*



সেউজীয়া পাতবোৰত নিয়ৰ পৰে
এটোপ দুটোপকৈ
কুঁৱলী ভৰা শীতৰ সেমেকা ৰাতিপুৱাবোৰও
নিয়ৰে সানি দিয়ে মায়াময় পৰিৱেশ।
নিয়ৰ টোপালবোৰ মুকুতাৰ দৰে
জিলিকি উঠে নানা ৰঙী ফুলত।
যেন কাৰোবাৰ স্মৃতি মনলৈ আহে।
সেই অতীতৰ বিষাদবোৰ যাৰ বাবে
শুনিবলৈ পাওঁ কাৰোবাৰ হিয়াভগা
কান্দোনৰ ৰোল।


◆◆◆

# মন মুঠিৰ ফল

জানমণি ডেকা
স্নাতক প্ৰথম ষান্মাসিক

এটি আলোকত দেখো
চাৰি দিশ নেদেখা, আন্ধাৰ বৃত্তত
এযোৰ মণি চকুৰ,
তাকো তুমি জানি
ৰুই থলা,
বৃক্ষ হওঁক কল্পতৰু বিশ্বাসৰ,
ওলমি ৰওঁক আকাশত এটুপি পানী
চাৰিওকাষে ভোক পুৰুৱা সাহ
কঠিন খোলাৰ
আঁহে ভৰা ডাঁঠ বাকলি
সেউজীয়া ৰঙ দিয়া এটি ফল
নাম নাৰিকল।
এটি আলোকত দেখো।

◆◆◆



# বিষাদৰ স্মৃতি

*চিণ্টু চুমন কলিতা*
*স্নাতক প্ৰথম বৰ্ষ*



তোমাক হেৰুৱাই
মই আজি নিঃস্ব।
আজি পুনৰ তোমাৰ স্মৃতিয়ে
মোক জগাই তুলিছে।
পানী যুৰলিত শুই আছিল
ঢেকীৰ চেপাত কেকাই উঠা
মোৰ প্ৰাচীন স্মৃতি।।

তুমি আহিবা বুলি মই
নিৰবে বৈ আছিলো,
ভবাতো নাছিলো মই
মোক এনেদৰে জীৱনৰ বাটত
হাত এৰি গুচি যাবা বুলি।

নিবিচাৰো আৰু মোৰ জীৱনত
তোমাৰ পদচিহ্ন
নেলাগে আহিব উভতি তুমি মোৰ
জীৱনলৈ............

নিবিচাৰো আৰু তোমাৰ ঠিকনা
গৈ থাকিম কোনো এক অৰ্থহীন যাত্ৰাত
কোনো এক অইন ঠিকনা বিচাৰি
তথাপিও নিবিচাৰো তোমাৰ সহাৰি।।

◆◆◆

# আজিৰ সমাজ

*আব্দুৰ ৰাজ্জাক*
*স্নাতক দ্বিতীয় যান্মাসিক*



তোমাৰ বাৰু মন যায়নে
এটি পখী হৈ মুক্ত আকাশত উৰি ফুৰিবলৈ?
মন যায়নে পখীটিৰ নিচিনাকৈ
সমাজৰ কু-কীৰ্তিবোৰৰ পৰা আঁতৰি থাকিবলৈ?
মোৰ মন যায় এই সমাজৰ
সুখ লাভৰ পৰা বিৰত থাকিবলৈ,
কিহৰ অভাৱ বাৰু এই সমাজত
হত্যা-লুণ্ঠন ঠগ-প্ৰৱঞ্চক
এৰা, এয়াইযে আজিৰ সমাজ
নিৰ্দোষীয়ে মৰে ফাঁচিত
আৰু দোষীয়ে এই সমাজতে আছে
নিৰ্ভয়ে চলি।
এৰা এয়াইতো আজিৰ জঘণ্য সমাজ
য'ত অসত্যৰ সদায় জয়
আৰু সত্যৰ পৰাজয়।।

◆◆◆

## কৌতুক

শিক্ষক ঃ মানসী, তুমি মেপত উত্তৰ আমেৰিকাখন দেখুৱাই দিয়াচোন।
মানসী ঃ (মেপত দেখুৱাই) এয়া ছাৰ।

শিক্ষক ঃ দীপক, তুমি কোৱাচোন উত্তৰ আমেৰিকা কোনে আৱিষ্কাৰ কৰিছিল?
দীপক ঃ মানসীয়ে ছাৰ।

# অপেক্ষা

*পৰিণিতা কলিতা*
*স্নাতক প্ৰথম বৰ্ষ*



বহুত আশাৰে পঢ়িলো মোৰ আৰু
প্ৰেমৰ কাৰেং ঘৰ
কিন্তু এয়া কি?
মোৰ কাৰেং ঘৰক
নকৰিবা অৱহেলা
আজি অতদিনৰে পৰা
বৈ আছো বুলি তোমালৈ
নাপাও যে সঠিক সঁহাৰি
আহিবানে মৰম দুৱাৰেদি
বহিবানে হৃদয়ৰ বিচনাত
চকুত চকু থৈ
সঠিক প্ৰশ্নৰ উত্তৰ।
মই ৰুই থৈছো যেন
মৰম বুকুত তোমাক।
দেখাৰ লগে লগে চৌদিশে সুগন্ধি
ইমান ভাল লাগে!
মই অনুভৱ কৰো তোমাৰ বাবে
মনৰ ভয়াবহতা ভাঙি ওলাই আহানা
ৰুণ জুন গুণ গুণ আপোন এনাজৰী
তোমাৰ অবিহনে শুৱনি নহয় যে
সেই কাৰেং ঘৰ।
এটি কলিৰ অপেক্ষাত।


◆◆◆

# সপোন

ৰাজু চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ

হেৰাই গ'ল কৰবাত মোৰ বহু সপোন
পলকতে হ'ল নাইকিয়া
অস্ত আকাশৰ তেজাল আবেগ সানি
আবেলিৰ হেঙুলীয়া ৰশ্মিবোৰ
হেৰাই থাকিল কৰবাত।
দেখিছিলো মোৰ জীৱনত
বহুত সপোন
নাজানো ক'ত হেৰাই গ'ল
মোৰ এই সপোনবোৰ
নাজানো কিয় আহে এই সপোনবোৰ
পলকতে কিয় হয় নাইকিয়া
সপোনবোৰ কিয়জানো
সপোন হৈ ৰয়
কিয়জানো নহয় ই বাস্তৱ।

◆◆◆



# সপোন আছে সপোন ভাঙে

*লিপিকা ডেকা*
*স্নাতক প্ৰথম বৰ্ষ*



জোনাকৰ প্ৰেমময় ৰাতি
বৈ থাকো চেনাই
তুমি আহিবা বুলি।
নদীৰ পাৰত প্ৰেমময় আবেলি
বৈ থাকো চেনাই
সপোনৰ বালিঘৰ সাঁজি।
ওহোঁ তুমিটো নাহা চেনাই
কেতিয়াও নাহা তুমি
তুমিয়েই শিকালা প্ৰেম মানে কি
তুমিয়েই বুজালা মৰম মানে কি
কিন্তু হঠাৎ কিয় আঁতৰি গ'লা?
আৰু এইবোৰ তুমি কি কৰিছা?
মইতো তোমাক ধ্বংসৰ পথলৈ নিয়া নাছিলো
মইতো কেৱল তুমি ভাল হোৱাৰ সপোন দেখিছিলো
কিন্তু তুমি ভুল বুজিলা কিয়?
বিশ্বাস ঘাটকতা কৰিলা কিয়?
কেতিয়াও ভবা নাছিলো তুমি আনৰ হ'বা,
ভবাতো নাছিলো মিছা অভিনয় কৰিবা,
মাজ সাগৰত কিয় এৰি গুচি গ'লা
কিয় মোক শপত খুৱাইছিলা?
মইতো ভাবিছিলো প্ৰতিশ্ৰুতি দিলা যেতিয়া
জীৱন দান দি হ'লেও পালন কৰিবা
মোক ভাল পোৱাৰ প্ৰতিদান দিবা
কিন্তু, আজি সকলো বিপৰীত
সকলো বেলেগ আজি। কিন্তু.........
হিয়াত তোমাৰ প্ৰতিচ্ছবি জিলিকি আছে আজি।

◆◆◆

# পাতিদৰং মহাবিদ্যালয়


*আছমিনা বেগম*
*স্নাতক প্ৰথম ষান্মাসিক*

পাতিদৰং মৌজাৰ মাজ মজিয়াত
জিলিকি আছা তুমি ভোটা তৰাৰ দৰে
তোমাৰ হৃদয়ৰ মাজত লুকাই আছে
হেজাৰ জনৰ আশাৰ সম্ভাৰ
হে আমাৰ বিদ্যাৰ মন্দিৰ পাতিদৰং মহাবিদ্যালয়।
তুমিয়ে দিয়া বহু ছাত্ৰ-ছাত্ৰীৰ জীৱন গাঁথনি
যাৰ প্ৰেৰণাত আগবাঢ়ি যাব সকলোৱে
জীৱন নদীৰ তীব্ৰ বেগী নাওঁখনিত
সেই বাবে তুমি মহান কৃতজ্ঞ
হে আমাৰ বিদ্যাৰ মন্দিৰ পাতিদৰং মহাবিদ্যালয়।
তোমাৰ অপৰিসীম জ্ঞানৰ পোহৰত
আমি সকলোৱে আলোকিত
তুমি আমাৰ ভৱিষ্যত আশাৰ কিৰণ
তোমাৰ কৃতিত্বত আমি সকলোৱে গৌৰৱান্বিত
তোমাক শত সহস্ৰ প্ৰণাম
জনমে জনমে পাওঁ যেন তোমাতেই স্থান
হে আমাৰ জ্ঞানৰ মন্দিৰ পাতিদৰং মহাবিদ্যালয়।

◆◆◆

# চিগাৰেট

তুলিকা দাস
স্নাতক প্ৰথম বৰ্ষ



তাৰ পিছত.........
বুকুৰ জেপৰ পৰা উলিয়াই
মুৰত জুই দিলা
আৰু তৃপ্তিৰ স্বাৰ্থত হুপি গ'লা মোক।
নিঃ সংকোচে
তৃপ্তিৰ আমেজ পান কৰি
তুমি মোক দলিয়াই দিলা
বাটৰ একাষত।
তাৰ পিছত আৰু
এবাৰো ফিৰি চোৱাৰ সময় নহ'ল তোমাৰ,
হয়তো ফিৰি চোৱাৰ কোনো
প্ৰয়োজনেই নাথাকিল
তুমি দলিয়াই দিয়াৰ পিছতো
মই বহু পৰলৈ জ্বলি থাকোলো
নীৰৱে.........
নিঃসহায়ভাৱে।

◆◆◆

# ক্ষোভ

*নিতা মণি কলিতা*
*স্নাতক প্ৰথম বৰ্ষ*



ব্যৰ্থতা, হতাশা, হুমুনিয়া
আৰু মই ......
একেডাল সূতাৰে গথাঁ
এধাৰি মালা হৈ
সুন্দৰ পৃথিৱীক শুৱাই ৰখা
অপৰূপ সৌন্দৰ্য্যৰ মালাৰাজি
কুৰূপা কৰিবলৈ,
কৰি আছো স্পৰ্দ্ধা
এৰা, তেওঁলোকে তেনেকৈয়ে ভাবে......
নাজানো তেওঁলোকে
নাভাবেও
মোৰ যে হৃদয়ত নিভৃত্ত কোণত
লুকাই থাকে।
অপৰূপৰ লগত অপৰূপ হৈ
মিলি যোৱাৰ হাবিয়াস।
আশা ভংগৰ ক্ষোভে মোক নিৰ্দয়
সজালে
ছদ্মবেশী এতিয়া তেওঁলোক
মোৰ শৰীৰ দান তেওঁলোকেই দিব।


◆◆◆

## কুইজ

- অসমৰ প্ৰথম ইংৰাজী দৈনিক কাকতখনৰ নাম কি? ♠ উত্তৰ ঃ আছাম ট্ৰিবিউন (১৯৪৬)।
- কোন প্ৰাণীক প্ৰথমে মহাকাশলৈ পঠিওৱা হৈছিল? ♠ উত্তৰ ঃ কুকুৰ।
- গোলাপ ফুল কোন দেশৰ ৰাষ্ট্ৰীয় ফুল? ♠ উত্তৰ ঃ বৃটেইন।
- ৰিখ্‌টাৰ স্কেল কিহৰ প্ৰাবল্য জোখাৰ বাবে ব্যৱহাৰ কৰা হয়? ♠ উত্তৰ ঃ ভূমিকম্প।

# প্ৰেম অবিহনে জীয়াই থকাৰ লাভ কি?

*তৃষ্ণামণি ডেকা*
*স্নাতক প্ৰথম বৰ্ষ*



তুমি আঁতৰি যোৱাৰ পাছত
জীৱনৰ ৰুটিনখনেই সলাই দিলোঁ
আকাশ, বতাহ, কাগজ, কলম
জোনাক, বৰষুণ কাৰো স'তেই
বিনিময় নকৰো সুখ অথবা দুখৰ পৃষ্ঠা.......
এক দুঃসহ যন্ত্ৰণা বুকুত বান্ধি
আৰম্ভ কৰিছো তোমাৰ বাবে
মোৰ কলমৰ লেখ মাত্ৰা।
জানো! হৃদয় ভাঙি কোনো শব্দই
তোমাৰ শিলাময় হৃদয় অন্তৰ্ভেদ নকৰে।

মাথো তোমাৰ বাবেই তোমাক দিবলৈ
প্ৰস্তুত আছিলোঁ ৰ'দ, বতাহ, বৰষুণ, জোনাক........
ইত্যাদি....... ইত্যাদি....... ইয়াতকৈ আৰু বেছি
মই কি দিম। ভালপোৱা দিবলৈতো
তুমি মোক ভালেই নাপালা........
আহিনৰ জোনাক ভৰা পূৰ্ণিমাৰ
আকাশৰ তলত থিয় হৈ আছো মই
সকলো নিস্তেজ! কাৰণ তুমি যে কাষত নাই.......
প্ৰেম নহ'লে জীয়াই থাকি লাভ কি?
প্ৰেমৰ বাবেইতো চ'ৰাইবোৰ ঘৰমুখী হয়।

এখন আধৰুৱা নাটৰ দৰে সামৰণি
পৰিল আমাৰ প্ৰেমৰ দস্তাবেজ;
তুমি মোক মাত্ৰ এবাৰ কোৱা
মোক এৰি থৈ কিয় গুচি গ'লা তুমি?
কিয়? কিয়? কিয়???.......
বিশ্বাস কৰা মই ভুলতো কল্পনা কৰা নাছিলোঁ
তোমাৰ মোৰ প্ৰতি থকা মনোভাৱক।
কিনো লিখিম....... হৃদয়ৰ ভাষাবোৰচোন
কেতিয়াবাই শিল হৈ গ'ল।

গছে পুৰণি পাত সলাই নতুন পাত মেলে
প্ৰেমৰ বিফলতাৰ পাছত প্ৰেমৰ মৰুভূমিত
কবিতা এটা লিখোঁ বুলিও লিখিব পৰা নাই
শূণ্যতাৰ বুকুত ডুবি থাকোঁ........
যন্ত্ৰণাদায়ক এখন হৃদয় লৈ........
আচলতে প্ৰেম নহ'লে জীয়াই থাকি লাভ কি??


◆◆◆

# আমাৰ মহাবিদ্যালয়

*অঞ্জুমণি ডেকা*
*স্নাতক প্ৰথম বৰ্ষ*

শুৱনি আমাৰ মহাবিদ্যালয়খনি
জ্ঞানৰ পোহৰেৰে ভৰা।
জ্ঞানৰ জ্যোতিৰে উজ্বলাওঁ আহা
আমাৰ বিদ্যাৰ আলয়।
তুমি আনিলা মানৱ মনৰ পৰিবৰ্তন
য'ত থাকে চন্দ্ৰ সূৰ্যৰ দৰে জ্ঞানৰ পোহৰ
তুমি আমাৰ প্ৰাণৰো প্ৰাণৰ।
আমি সকলোৱে গাওঁ মহামিলনৰ গান
এক আশা, একেই ভাষা আমাৰ হৃদয়ৰ
জয়তু পাতিদৰং মহাবিদ্যালয়।

◆◆◆



# তোমাৰ ইচ্ছাৰ বিৰুদ্ধে

*শ্ৰীদুলাল দাস*
*প্ৰথম সান্মাষিক*

তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
খিৰিকিখন বন্ধ কৰি দিয়া হ'ল
অনিৰ্দ্দিষ্ট কাললৈ।
পেট্ৰোল-ডিজেলৰ দাম বাঢ়িল
সংগঠনবোৰৰ হৰতাল চলিল
মূল্য কিন্তু একেই থাকিল।
তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
হত্যা কৰা হ'ল
দুখন হৃদয়ক।
চোতালত সৰিয়হ বিচাৰি ফুৰা
শালিকিযুৰিও উৰা মাৰিলে
অজান দেশলৈ।
তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
কাঢ়ি লোৱা হ'ল তোমাৰ চকুযুৰি
পদুলিৰ শেৱালি জোপাইয়ো
উচুপি উঠে




দুখৰ চকুলো দেখি
সেওঁতাৰ ৰঙাখিনিও
সিহঁতৰ বাবে অসহ্যকৰ
আৰ্তনাদ কৰি উঠে মাথো
বনবাসী ভাষাই
তোমাৰ ইচ্ছাৰ বিৰুদ্ধে
হৰি নিয়া হ'ল তোমাৰ সমস্ত।

◆◆◆

# হতাশা

*ৰিজুৱানা আহমেদা*
*স্নাতক প্ৰথম বৰ্ষ*



নুবুজিলা মোক আজিও
কৰিছিলো বুজিবলৈ চেষ্টা এবাৰ
হাঁহাকাৰ কৰিছিল মোৰ হৃদয়ে
তোমাক ভাল পোৱাৰ আশাৰে।
কিমান যে কল্পনা কৰিছিলো।
তোমাৰ চকুলো চাই উজাগৰে
কটাইছিলো বহু ৰাতি।
তোমাৰ কথাকে ভাৰি সদায় আমনি কৰে,
তোমাৰ স্মৃতি ছবি ৰছিলো অলেখ
সপোন দিঠকত পৰিণত হোৱাৰ
আশাৰে বাট চাই আছিলো।
তোমাৰ সময় নাহিল মোৰ বাবে
তথাপিও সদায় কামনা কৰিছিলো তোমাৰ
সহাৰি পাবলৈ গৈছিলো কাষলৈ,
অকণমান সঁচা মৰম বিচাৰি
কাৰণ জনা নাছিলো মই।
তোমাৰ মিছা অভিনয়ে মোক
কন্দুৱাব বুলি।

◆◆◆

গল্প শিতান

# দুটি অনুভৱৰ হৃদয়ৰ

চুমি নাথ
স্নাতক ৪ৰ্থ যান্মাসিক, বুৰঞ্জী বিভাগ

এক ঃ

বৰ্ষাৰ বৰষুণ জাকৰ দৰেই নামি আহা মোৰ বুকুলৈ ভালপোৱাৰ জোৱাৰ ভাটা লৈ আৰু অভিমান নকৰিবা অ' নীলাঞ্জনা......। মই বৰ কষ্ট অনুভৱ কৰো.......! বৰং নথকা জীৱনটোক বসন্তৰ সেউজীয়া অভয়াৰণ্যখনৰ নিচিনাকৈ জীপাল হ'ব দিয়া....। মোৰ বনৰীয়া প্ৰেমিক মনটোক এবাৰ ঘৰচিৰিকা হৈ উৰিব দিয়া........... দূৰ-দিগন্তলৈ.......।

দুই ঃ

যিজনক তোমাৰ মৰমৰ প্ৰয়োজন নাই বাৰে বাৰে তেওঁৰ ওচৰত মৰম ভালপোৱা যাচিব গৈ তুমি তোমাৰ পৱিত্ৰ ভালপোৱাক অপমান কৰিব নাযাবা। তেওঁ যিহেতু তোমাৰ মৰমৰ মূল্য দিব নাজানে? তোমাৰ খং, অভিমানক অভিনয় বুলি গণ্য কৰে........। যিজনে তোমাৰ বিশ্বাসৰ লগত খেলা কৰি বাৰে বাৰে দুভৰিৰে মোহাৰিবহে জানে.... সেইজনৰ পিছত লাগি তুমি তোমাৰ বহুমূলীয়া সময় নষ্ট নকৰিবা। নিশ্চয়কৈয়ে জানা তুমি কোৱা আৰু কৰি দেখুওৱাৰ মাজত আকাশ পাতাল প্ৰভেদ......। অপ্ৰিয় হ'লেও সত্য কথা স্বীকাৰ কৰিবই লাগিব তেওঁ তোমাৰ Likeৰে নহয় আৰু হ'বও নোৱাৰে। তেওঁৰ নামত চকুলো টুকি তোমাৰ বন্ধু সদৃশ শিতানৰ গাৰুটো বোৱাব লগাৰ প্ৰয়োজন নাই.....। তেওঁ ইমানেই নিষ্ঠুৰ যে তুমি নিজকে হত্যা কৰি তোমাৰ ভালপোৱাৰ প্ৰমাণ দিব গ'লেও হয়তো তেওঁৰ হৃদয়ত তোমাৰ নামত এক কিঞ্চিতো ঠাই নোলাব।

এদিন তেওঁ নিজেই অনুতপ্ত হ'ব। যেতিয়া সময়ে তেওঁকো তোমাৰ ঠাইত থিয় কৰাব.........। যেতিয়া তেওঁৰ অভিমানক কোনোবাই অভিনয় বুলি ক'ব, তেওঁৰ বিশ্বাসক, মৰম-ভালপোৱাক যেতিয়া কোনোবাই ভৰিৰে মোহাৰি পেলাব......? সেই সিদিনা তেওঁ এক মূহুৰ্তৰ বাবে হ'লেও তোমাৰ কথা ভাবিব....... সেইদিনা হয়তো সময়ৰ ধুমুহাই তোমাকো তেওঁৰ পৰা আঁতৰাই আনি পৃথিৱীৰ আন এটা প্ৰান্তত থিয় কৰাব.......? তেওঁ তেতিয়াহে অনুভৱ কৰিব তুমিহীনতাৰ শূণ্যতা.....তোমাৰ এষাৰ মৰমৰ মাতৰ অভাৱ.......!

তোমাৰ কিছুমান কথাই সেইদিনা তেওঁক বৰ কষ্ট দিব.......। তোমাৰ স্মৃতিয়ে তেওঁক বাৰুকৈয়ে আঘাত হানিব হৃদয়ত....... কিছুমান সাধাৰণ কথাতে তোমাক গালি দিয়া....... তোমাৰ Phone Cell, SMS আদিক লৈ কৰা অৱহেলাৰ কথাই...... তেওঁৰ বন্ধুবৰ্গৰ আগত হাঁহি হাঁহি তোমাৰ, তোমাৰ প্ৰেমৰ উপলুঙা কৰি কোৱা— মই তাইক পাত্তাই নিদিও আৰু তাই সতী সাবিত্ৰীজনীয়ে মোৰ পিছত বলিয়া কুকুৰৰ দৰে ঘূৰি ফুৰে.......... মই তাইৰ দৰে কিমানজনীক মোৰ আঙুলিৰ মূৰত নচুৱাই আছো......... আদি বাক্যবোৰে তেওঁৰ হৃদয় থকা সৰকা কৰিব।

তুমি তেওঁৰ বাবে অপেক্ষা কৰি থকাৰ বহু সময় পিছতো যেতিয়া তেওঁ আহিছিল আৰু তোমাৰ দুচকুৰ কোণত থকা অভিমানৰ দুটোপাল চকুলোক আওকাণ কৰি তেওঁ ল'ৰালৰিকৈ কৈ উঠিছিল যে— মই বেছি সময় ইয়াত থাকিব নোৱাৰো, কি ক'ব লগা আছে সোনকালে কোৱা..... মোক কিয় মাতিছিলা...? আৰু তুমি দুহাতেৰে চকুলো দুটোপাল মোহাৰি লৈ ৰান্ধনি বেলিটোৰ দৰে মিছিকিয়া হাঁহিৰে নিজৰ ক'বলগীয়াখিনি আঁতৰত ৰাখি.......হৃদয়ৰ গভীৰতাত যন্ত্ৰণাৰ পিৰামিড সাজি ক'ব লগা হৈছিল....... একো নাই অ' এনেয়ে মাতিছিলো তোমাক...... ঘৰত এনেয়ে থাকি ব'ৰ হৈছিলো যে সেইবাবে......। কিন্তু, তেওঁ তোমাৰ কথাত কোনো গুৰুত্ব

নিদি তোমাৰ আগেয়েদি মটৰ চাইকেলৰ ধোঁৱা উৰুৱাই ঘূৰি গৈছিল অহা বাটে।

এইবোৰ কথা যেতিয়া তেওঁৰ মনত পৰিব সেইদিনা হয়তো বুকুৰ মাজত স্থিত গোপন হিমবাহ অশ্রু হৈ দুগালে নিগৰিব নীৰৱে..... নিজানত।

তেওঁৰে হিয়া অনুতপ্তৰ জুইত পুৰি দগ্ধ হ'ব নিজৰ অলিক্ষিতে......। যিদিনা তেওঁ কোনোবা অহালৈ ঘণ্টাৰ পিছত ঘণ্টা ধৰি অপেক্ষা কৰিব আৰু তেওঁৰ অপেক্ষাৰ অন্ত পেলাই এটা SMSৰ জৰিয়তে জনাব যে মই যাব নোৱাৰিম.... তুমি ওভতি যোৱা, মই অহালৈ অপেক্ষা নকৰিবা....... মোক মোৰ বাটেৰে আগুৱাই যাব দিয়া...... কেতিয়াও ভুলতেও মোৰ নাম মুখত নানিবা...... কিয়নো মই তোমাৰ বাদে আন কাৰোবাক ভাল পাওঁ আৰু তোমাৰ মোৰ মাজত থকা সম্পৰ্কক এটা বেয়া সপোন বুলি পাহৰি যোৱা.....। Best of Luck.....। তেতিয়া হয়তো তেওঁ অনুভৱ কৰিব সেই মৰ্মান্তিক মূহুৰ্তবোৰৰ কথা যিটো সময়ত সেই একে কথাকে তেওঁ তোমাক কৈছিল। তেতিয়া তেওঁৰ মূৰ আচন্দ্ৰাই কৰিব আৰু বহুত অকলশৰীয়া অনুভৱ কৰিব....। জীৱনৰ প্ৰতি ঘৃণা উপজিব আৰু মৃত্যুৰ স্পৃহাই আগুৰি ধৰিব..... কিয়নো তেতিয়া তেওঁৰ কাষত কোনো নাথাকিব যে উপলুঙা কৰিব......। তোমাক যেনেদৰে তেওঁ উপলুঙা কৰিছিল ঠিক তেনেদৰে তেওঁ আজি কাৰোবাৰ উপলুঙাৰ পাত্ৰ হ'ল...... সকলো থকাৰ পিছতো একো নাথাকিব। আপোন বুলিব একো নাথাকিব এই পৃথিবীত.......। অন্ধকাৰৰ গুহাত শুই পৰিব নীলা সপোনবোৰ আধৰুৱাকৈ....... প্ৰতাৰণাৰ ধুমুহাই বগৰাই ফুৰাব অ'ত ত'ত... আলিয়ে বাটে। আৰু তাৰ পৰাই আৰম্ভ হ'ব এটা নতুন জীৱন.... ট্ৰেজেদি আৰু মদ........। জীৱনৰ বাবে অপৰিহাৰ্য্য হৈ পৰিব চিগাৰেট, ভাং, ড্ৰাগচ্ আদিবোৰ... যেন নিচাতে বিভোৰ হৈ গাব....

নিচা, নিচা মদৰ
খালেহে বুজি পাবা.......।

কিন্তু এনেবোৰ পৰিস্থিতি, তাতে তেওঁৰ লগত তুমি কল্পনাৰ কৰিব নোৱাৰিবা। তেওঁ তোমাক হাজাৰবাৰ দুখ দিয়ক বা উপলুঙা কৰক সেইটো তেওঁৰ কথা..... তেওঁৰ ধৰ্ম.... কিন্তু তাৰ পৰিৱৰ্তে তুমি যে তেওঁক ভালপোৱা। আন এজনে তেওঁক দুখ দিয়াতো হয়তো তোমাৰ বাবে অসহ্যকৰ হ'ব প্ৰথমতে.....। এবাৰলৈ হ'লেও কল্পনাও কৰিব নোৱাৰিব লাজতে তেওঁৰ ক'লা পৰা মুখ আৰু নোপোৱাৰ বেদনা থকা-সৰকা হোৱা কলিজা.....। এইবোৰ ভাবি তোমাৰ হয়তো গাৰ নোম শিয়ৰী উঠিব..... কিয়নো তুমি যে তেওঁৰ জন্ম-জন্মান্তৰৰ প্ৰেমিকা.....।

তেওঁৰ প্ৰতি তোমাৰ মনত জ্বলন আছে, খং আছে, অভিমান আছে...... তথাপিও তোমাৰ মনৰ মাজত তেওঁৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু অযুত মৰম আছে। যি ভালপোৱা বৰষুণেৰে জীপাল কৰিব বিচ্ছৰা তেওঁৰ ৰুক্ষ হিয়া.....। তোমাৰ মনত পুনৰবাৰৰ বাবে ৰুব বিছৰা ধুমুহা বিধস্ত কৰা গছজোপাক বনছঁাই নামেৰে .... তোমাৰ সপোন অট্টালিকাটোৰ বেলকনিত .... যাৰ সুবাসেৰে ভৰিব দুটি মন, যাৰ বতাহে জুৰ পেলাব এহাল ভাগৰুৱা প্ৰেমিক চৰাইক......।

তেওঁ ঘূৰি আহক তোমাৰ কাষলৈ, তেওঁ ঘূৰি অহাৰ সামান্যকণ আশা জানো এতিয়াও ঠুপ খাই থকা নাই তোমাৰ মনগহ্বৰৰ কোনো এটা চুকত.....? তুমি যে আশাবাদী। তেওঁ আহক তোমাৰ ওচৰলৈ....। তোমাৰ মৰমে, ভালপোৱাই তোমাক লৈ সপোন গঢ়ক....। বুজি পাওঁক তোমাৰ নিস্বাৰ্থ প্ৰেমক..... তেওঁৰ নামেৰে আলোড়িত হোৱা হাজাৰ স্পন্দনক তেওঁ অনুভৱ কৰক তেওঁ বুজি উঠক অপেক্ষাৰ বাট কিমান দুৰ্গম আৰু দূৰ......। পাহৰি যাওঁক তেওঁ অভীপ্সাৰ ৰঙীন সপোনবোৰক। আকোৱালি লওক এখন বন্ধুত্ব সুলভ অথচ মৰম ভৰা হৃদয়। যাৰ প্ৰতিটো কোঠালিতে বিচাৰি পাবা তেওঁ জীৱনৰ মাদকতা ..... জীয়াই থকাৰ প্ৰেৰণা..... এনেকৈয়ে ক্ৰমান্বয়ে তেওঁ আকোৱালি লওঁক তোমাক.......

"আজি অ'ত দিনে যদিও আঁতৰি থাকিলা বিচ্ছেদ কৰিব পাৰিলা জানো তোমাক মোৰ পৰা.....? যদি ঈশ্বৰে পঠাইছে লগ কৰি আমিনো কোনকুটা তুমি যদি ছায়া মই তোমাৰ কায়া..... নিয়তিয়ে চোৱা তোমাক আনি মোৰ ওচৰতে থলেহি.....। তুমি মই কৰি.......। ◆◆◆

# এবাৰো নুবুজিলা তুমি

উৎপল বণিয়া
স্নাতক দ্বিতীয় বৰ্ষ

অ' মা ভাত হ'লনে সোণকালে দে আকৌ কলেজৰ আজি প্ৰথম দিন অলপ সোণকালে যাব লাগিব বুলি কৈ ৮-৩০ বজাত গা-ধুবলৈ গ'লো। লৰালৰিকৈ গা ধুই আহি ভাত কেইটা খাই উঠি ড্ৰেচ কৰি চুলি খিনি ফনিয়াই ওলালো। মোৰ কলেজৰ প্ৰথম দিন। মনত কি যে আনন্দ আহ ভাবিলেই কিবা ভাল লাগি যায়। সৰুতে মই দাদাক কলেজলৈ যোৱা দেখিছিলো আৰু দাদাক দেখি মনতে মই ভাবিছিলো ময়ো এদিন দাদাৰ দৰে কলেজলৈ যাম মই ভবা কথা পিছে থিকে ফলিয়ালে সেয়েহে মনত বৰ আনন্দ লাগিল।

মা মই আহিলো দেই বুলি মাত লগাই চাইকেলখন লৈ বাটলৈ ওলালো।

অ' চন্দন তোৰ হ'লনে? সোনকালে আহ আকৌ, দেৰি হ'ব হ'লনে বুলি চন্দনক মাত লগালো।

অ' হৈছে ৰবা বুলি কৈ চন্দন ওলাই আহিল আৰু আমি দুয়ো একেখন চাইকেলতে উঠি কলেজ পালোঁগৈ।



কলেজত সোমায়ে স্কুলীয়া বন্ধু-বান্ধৱীবোৰক লগ পাই সকলোৰে খবৰ পাতি ল'লো।

সকলোৰে ক্লাছৰুমত সোমোৰ কিছু সময়ৰ পিছতে ওপৰৰ শ্ৰেণীৰ ল'ৰা কেইজনমানে আহি সকলোকে শুভেচ্ছা জনাই প্ৰথমতে মোক সুধিলে- ঐ তোৰ নাম কি? তেনেকৈ সোধাত মোৰ অলপ ভয় লাগিছিল কাৰণ দাদাই কোৱা শুনিছিলো ৰেগিঙ কৰিলে হেনো যি কোনো কৰিবলৈ কয়।

কিন্তু ভয় লাগিলেও মনটো ডাঠ কৰি থিয় হৈ মোৰ নাম শ্ৰীউৎপল বণিয়া বুলি ক'লো। মোক কিন্তু একো কৰিবলৈ নক'লে। ছোৱালী এজনীকহে আন এজন ল'ৰাই মাতি আনি সুধিলে—

ঃ তোমাৰ নাম কি ভণ্টি?

ঃ শ্ৰীহিৰামণি ডেকা, তাই ক'লে।

আকৌ আন এজন ল'ৰা আহি হিৰামণিক তুমি চিনেমা চোৱানে বুলি সুধিলে। তাই চাওঁ বুলি কোৱাৰ লগে লগে আন এজন ল'ৰাই আহি ক'লে- তুমি চিনেমাত কোৱাৰ দৰে ইয়াক আই লাভ ইউ উৎপল বুলি চিএঞৰি কোৱাচোন। লগে লগে ক্লাছৰ সকলোৰে হাঁহিবলৈ ধৰিলে। তাইৰ লাজে অপমানে খঙত মুখখন আবেলিৰ বেলিটোৰ দৰে ৰঙা হৈ পৰিল। মোৰো অৱশ্যে লাজ লাগিছিল। কিন্তু ইমান ধুনীয়া ছোৱালী এজনীক এনেকৈ ক'বলৈ দিয়াত মোৰ ভালো লাগিল। ছুটিৰ সময়ত মই তাইৰ ফালে চোৱাত দুয়োৰে চকুৰে চকুৰে পৰাত তাই লাজতে তলমূৰকৈ কাষেৰে গুছি গ'ল আৰু যোৱাত মাত লগাম বুলি ভাবিলো। কিন্তু এদিনতে মাত দিও কেনেকৈ তাতে আকৌ চিনাকীও হোৱা নাই।

পিছদিনা কলেজলৈ আহোতে বাটতে তাইক লগ পায় মাত এযাৰ লগাও বুলি ভাবি তাইৰ ওচৰতে

চাইকেলৰ পৰা নামি ৰলো।

ঃ বেয়া নোপোৱা যদি তোমাৰ নামটো?

তাই উচুপ খাই কাক সুধিছে মোক সুধিছে নেকি বুলি ক'লে—

ঃ কিয় ইয়াতো তোমাৰ বাহিৰে আন কোনো নাই, মই ক'লো।

তাই লাজকুৰীয়া হাঁহি এটা মাৰি ক'লে হিৰামণি।

ঃ যোৱা কালিৰ কথাতোৰ বাবে মোক বেয়া পাইছা নেকি? মই তাইক সুধিলো।

ঃ নাই নাই মই তোমাক কিয় বেয়া পাম, হিৰামণিয়ে ক'লে।

চা-চিনাকি হৈ এনেদৰে কথা-বতৰা পাতি খোজকাঢ়িয়ে দুয়ো কলেজ পালোগৈ।

চাৰিটামান ক্লাচ কৰি কেন্টিনলৈ আহিলো, মোৰ স্কুলীয়া বান্ধৱী তৃষ্ণাক অকলে বহি থকা দেখি মই তাইৰ ওচৰতে বহি কি খবৰ তৃষ্ণা বুলি সুধিলোঁ।

ঃ মোৰ খবৰ ভাল, মই ক'লো।

ঃ তৃষ্ণা আজি অকলে যে, ৰাজ অহা নাই নেকি অ'- মই সুধিলোঁ।

মোৰ ৰাজৰ কথা বাদ দিয়া পিছে হিৰামণিৰ লগত আজি একেলগে খোজকাঢ়ি আহিলা যে, কি উৎপল কথা বেলেগ যেন পাইছো, তৃষ্ণাই ক'লে।

মই আৰু কি কম, কিন্তু তোমাৰ লগত ধুনীয়া মিলিব দে উৎপল, তৃষ্ণাই ক'লে।

কলেজৰ পৰা উভতাৰ সময়ত চন্দনক বাটতে সুধিলো, চন্দন হিৰামণিক তোৰ কেনে লাগে?

কিয় উৎপল, হিৰামণিৰ কথা তই বৰকৈ সোধা হৈছ যে, কেনেবাকৈ তই হিৰামণিৰ প্ৰেমত পৰা নাইতো, চন্দনে ক'লে।

ঃ কাৰোবাৰ কথা সুধিলে প্ৰেমত পৰা হয় নেকি?

ঃ নাই, হ'লেও তই হিৰামণিৰ কথা বেছিকৈ সোধা যে সেই কাৰণে কৈছো, চন্দনে ক'লে।

কাৰোবাক মোৰ ভাল লাগিবও পাৰে, তাতে তোৰ হিংসা লাগিছে নেকি?

ঃ হিংসা লগা নাই অ' — উৎপল, চাবা কিন্তু। অৱশ্যে ভালে হ'ব দে অথচ তোৰ মাৰৰ এজনী লগ হ'ব আৰু মইতো নবৌ বুলি মাতিব পাৰিমেই। ঃ ঐ চন্দন তোৰ বেছি হৈছে কিন্তু মাৰ খাবি দেই বুলি কৈ মই চন্দনৰ চাইকেলৰ পৰা নামি ৰ'লো। চন্দনে চিঞৰি চিঞৰি কৈ গ'ল তই থিয়ৈ থিয়ৈ হিৰামণিৰ সপোন দেখি থাক মই হ'লে যাওঁ বুলি কৈ চন্দন তাৰ পৰা গুচি আহিল।

এনেকৈ কোৱাত মই কিন্তু চন্দনক বেয়া পোৱা নাছিলো। কাৰণ চন্দনে কোৱা কথাতো মিছাও নাছিল। হিৰামণিক প্ৰথমদিনা দেখাৰে পৰাই অজানিতে মই তাইৰ প্ৰেমত পৰিছিলো আৰু দিন যিমানেই বাঢ়িল ময়ো হিৰামণিৰ প্ৰেমত গভীৰভাৱে পৰিলো। তাইক এবাৰ নেদেখাকৈ মই থাকিব নোৱাৰা হ'লো। তাইক লৈ মই বহুতো সপোন দেখো। অৱশ্যে মানুহক মানুহ হিচাপে জীয়াই থাকিবলৈ এটা সপোনৰ দৰকাৰ।

ঃ হাই হিৰামণি কি খবৰ, তোমাৰ কি হ'ল ইমান দিন কলেজলৈ অহা নাই যে, কিবা হৈছে নেকি?

ঃ একো নাই হোৱা, মই আচলতে মামাহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈছিলো, তাই ক'লে।

ঃ ক'তনো তোমাৰ মামাহঁতৰ ঘৰ, মই সুধিলো।

ঃ ডিব্ৰুগড়ত, হিৰামণিয়ে ক'লে।

ঃ হিৰামণি, তোমাক কথা এটা সোধো, তুমি বেয়া নোপোৱাতো?

ঃ সোধা আকৌ কিয় বেয়া পাম, তাই ক'লে।

ঃ মই মানে তোমাক........

ঃ কি মই মানে তোমাক, কোৱা আকৌ।

ঃ আজিলৈ নালাগে দিয়া, ইয়াতে থাকক, কাইলৈ ক'ম, মই ক'লো।

পিছদিনা কলেজত হিৰামণিক অকলশৰে লগ ধৰি ক'লো- হিৰামণি তোমাক দেখাৰে পৰাই যেন মোৰ তোমাৰ কথাই মনত পৰে হিৰামণি।

হিৰামণি, মই জীৱনৰ বাকীখিনি সময় তোমাৰ সৈতে কটাব বিচাৰো তোমাৰ একো আপত্তি নাইতো।

ঃ তাই যেন মোৰ চকুলৈ একেথৰে চাই ৰ'ল।

ঃ কি হ'ল তুমি একো নোকোৱা যে বুলি কোৱাতহে তাইৰ সন্ধি ঘূৰি আহিল।

ঃ মই........

ঃ বাৰু আজিলৈ নালাগে কাইলৈ ক'বা। মই কিন্তু তোমাৰ উত্তৰলৈ আগ্ৰহেৰে বাট চাম, মই ক'লো। পিছদিনা তাই মোক কলেজত লগ ধৰি ক'লে মোৰ ফোন নম্বৰ, ফোন কৰিবা, ফোনত কম।

ঃ তাই মোক নম্বৰটো দি তাৰ পৰা গুছি আহিল।

ঃ আৰু মই বহু দূৰলৈ তাইৰফালে একেথৰে চাই ৰ'লো।

ঃ হেল্ল' হিৰামণি, কি খবৰ তোমাৰ।

ঃ মোৰ ভাল, তাই ক'লে।

ঃ উৎপল, তোমাৰ খবৰ কেনেকুৱা। তাই সুধিলে।

ঃ মোৰ খবৰ হ'ব বাৰু পিছে মোৰ উত্তৰটো দিয়া।

ঃ হ'ব, তাই ক'লে।

ঃ I Love so much H. এতিয়া ৰাখো দিয়া, বাই.... Good Night....

দুবছৰৰ মূৰত.....

ঃ উৎপল হিৰামণিক তই সঁচাই ভাল পোৱানে ? তৃষ্ণাই সুধিলে।

ঃ কিয় সুধিলি ? হিৰামণিয়ে তোমাক কিবা কৈছে নেকি, নাই কোৱা, এনেয়ে সুধিলো।

ঃ তৃষ্ণা, হিৰামণি এইকেইদিন কলেজলৈ অহা নাই যে, তাইৰ ফোনটোও দেখোন ছুইচ অফ হৈ আছে, হিৰামণিয়ে কিবা বেয়া পাইছে নেকি অ' তৃষ্ণা।

ঃ তহঁতৰ কথা তহঁতেহে জানিবি, মই আকৌ কেনেকৈ জানিম, তাই ক'লে। হ'লেও তোমাৰ বান্ধৱী যে সেই কাৰণেহে সুধিছো বেয়া নাপাবা।

ঃ নাই নাই উৎপল তোমাক আকৌ কিয় বেয়া পাম, তাই আচলতে এইবোৰ কথা মোৰ আগত নকয় সেই বাবেহে তেনেকৈ কৈছো, তৃষ্ণাই ক'লে।

ঃ বাৰু তৃষ্ণা মই আহো দিয়া।

কলেজত তৃষ্ণাই মোক মাতি আনি ক'লে হিৰামণিয়ে তোমাক বস্তুএটা দি পঠাইছে।

ঃ কি বস্তু চাঁও তৃষ্ণা, মই সুধিলো।

বিশেষ একো নহয় উৎপল তোমাৰ সঁচা ভাল পোৱাৰ উপহাৰহে তৃষ্ণাই ক'লে।

ঃ এইখন ল' কি চিঠি। হিৰামণিয়ে মোক চিঠি দিছে।

ঃ তৃষ্ণাই চিঠিখন দি বাহিৰলৈ ওলাই আহিল।

কৌতুহলেৰে মই সেইখনত কি লিখা আছে পঢ়িলো।

মৰমৰ,

উৎপল পোন প্ৰথমে মোৰ খবৰ ল'বা। মোৰ খবৰ ভাল, আশা কৰো তোমাৰো ভাল। তোমাক কথা

এযাৰ কওঁ বেয়া নাপাবা। তোমালৈ মোক বিয়া নিদিয়ে। কাৰণ মা-দেউতা হ'ল উচ্চ শ্ৰেণীৰ আৰু তোমালোক নিম্ন শ্ৰেণীৰ লোক, মই অৱশ্যে তোমাৰ কথা মা-দেউতাৰ আগত কৈছিলো, কিন্তু আমাৰ সম্পৰ্ক মা-দেউতাই মানি নল'লে। তুমিতো জানাই মা-দেউতাৰ কথা মই কেতিয়াও পেলাব নোৱাৰো। গতিকে তুমি মোক ক্ষমা কৰিবা।

*ইতি—*

*হিৰামণি*

চিঠিখন পঢ়িয়েই পাগলৰ দৰে চিঞৰি চিঞৰি কান্দি ক'লো।

ঃ হিৰামণি তুমি মোক কিয় এনেকুৱা কৰিলা। তুমি যদি মোক ভাল পোৱাই নাছিলা তেন্তে কিয় তুমি মোৰ লগত ভাল পোৱাৰ অভিনয় কৰিলা। তুমি ঠগ, প্ৰৱঞ্চক, মিছলীয়া তুমি।

ঃ তুমি মোক কিয় এনেকুৱা কৰিলা তো-তো-তোমাক সুধিয়েতো মই তোমাক প্ৰেমৰ প্ৰস্তাৱ দিছিলো তেন্তে কিয় মোক এবাৰো নক'লা তোমাৰ মনৰ কথা।

কিয়? তুমি মোৰ সঁচা ভালপোৱাক মোহাৰি পেলালা। তুমি কিয় মোৰ কথা এবাৰো নাভাবিলা হিৰামণি, ইমানবোৰ হৈ যোৱাৰ পিছতো। মই এই যন্ত্ৰণা কাতৰ বিষাদৰ মাজতো যেন আজি জীয়াই আছো। হিৰামণি, তুমিয়ে শিকালা মোক প্ৰেমৰ প্ৰতাৰণা। মই আজিহে বুজিছো এই বিশ্বাস শব্দটোৱেই বৰ বিশ্বাসঘাটক। ◆◆◆

## মহৎ লোকৰ বাণী

- আশা আছে বাবে পৃথিবীখন ইমান ধুনীয়া। *— হেম বৰুৱা*
- পৰক আপোন কৰিবলৈ প্ৰতিভাৰ প্ৰয়োজন। *— ৰবীন্দ্ৰ নাথ ঠাকুৰ*
- মূৰ্খ আৰু অজ্ঞানীয়ে সত্য কি বস্তু নাজানে। *— বুদ্ধদেৱ*
- বন্ধুত্ব হৈছে দুটা দেহত বাস কৰা এটি আত্মা। *— এষ্টিটল*
- প্ৰেমবিহীন জীৱন শলিতা নোহোৱা চাকিৰ দৰে। *— মহাত্মা গান্ধী*
- যিয়ে এবাৰ বিশ্বাস ঘাটকতা কৰিছে তেওঁক পুনৰ বিশ্বাসত নল'বা। *— শ্বেক্সপিয়েৰ*
- জীৱনটো কামেৰে জোখা হয়, বয়সেৰে নহয়। *— বেঞ্জামিন ফ্ৰেংকলিন*
- নিৰক্ষৰতা মানেই জ্ঞান বিহীন নহয়। *— ৰবীন্দ্ৰ নাথ ঠাকুৰ*

*সংগ্ৰহ — মনিষা কলিতা*
*দ্বিতীয় ষান্মাসিক*

# সঁচা-প্ৰেম ?

*শিখামণি ডেকা*
*স্নাতক দ্বিতীয় বৰ্ষ*

"চিমি"— কি সুন্দৰ এটা নাম। নামটোৱে সুৰসংপ্তকৰ ছন্দ যেন অনুভৱ হয়। নিবিড়ে যিখন কলেজত পঢ়ে সেইখন কলেজৰে ছাত্ৰী হয় চিমি। প্ৰথম দেখাতে চিমিৰ ৰূপে আকৰ্ষণ কৰিছিল নিবিড়ক। ৰূপ নহয় যেন এপাহ ধুনিয়া গোলাপ ফুলহে। এই ৰূপৰ বৰ্ণনা দিবলৈ টান হে পৰে নিবিড়ৰ। চিমিৰ চকু দুটা আছিল অসাধাৰণ। কি এক অদ্ভুত আকৰ্ষন আছিল সেই চকু দুটাত। নিবিড়ক যেন শিলীভূত কৰি তুলিছিল।

নিবিড়ে চিমিৰ কাষ চাপিবলৈ সুযোগ বিচাৰিলে বন্ধুত্ব স্থাপনৰ হেতু। প্ৰথমতে নিবিড়ে চিমিক আঁৰে আঁৰে চাবলৈ ধৰিলে। চিমি যদিও সৰবৰাহী তাই যাৰে তাৰে লগত কথা নাপাতে আৰু বন্ধুত্বও কৰিব নিবিচাৰে। কিন্তু নিবিড়ো হাৰ মনা বিধৰ নহয়।

কিন্তু এদিনাখন কলেজত নিবিড়ে লাইব্ৰেৰীত কিতাপ চাই আছিল। হঠাতে চিমি দুজনী বান্ধৱীৰ সৈতে লাইব্ৰেৰীলৈ আহিল। নিবিড়ে যিখন কিতাপ চাই আছিল সেইখন কিতাপ পূজাই বিচাৰিলে (চিমিৰ বান্ধৱী)। 'আৰে- নিবিড় দা, কিতাপখন মোক দিয়ানা'। নিবিড়ে আকৌ পূজাক আগৰে পৰা চিনি পাই। পূজা হ'ল নিবিড়ৰ দূৰ সম্পৰ্কীয় ভনীয়েক।

পূজা ঃ নিবিড় দা, এয়া মোৰ বান্ধৱী চিমি।
চিমি ঃ নমস্কাৰ।

তাৰ পিছত চিমিয়ে নিবিড়ক ক'লে- আপোনাৰ কথা পূজাই প্ৰায়ে মোৰ আগত কৈ থাকে। আপুনি হেনো ভাল টেবুল টেনিছ খেলে, ময়ো টেনিছ খেলি ভাল পাওঁ। মোক শিকাই দিবনে বাৰু?

সেয়াই প্ৰথম প্ৰেমৰ আৰম্ভণী। লাহে লাহে নিবিড় আৰু চিমিৰ মাজত অন্তৰংগতা বাঢ়িল। চিমি অবিহনে যেন নিবিড় থাকিব নোৱাৰা হ'ল। দিনে-নিশাই, শয়নে-সপোনে কেৱল চিমিকহে দেখা পায়। কলেজলৈ গৈয়ে প্ৰথমে চিমিৰ খবৰ লয়। চিমি আহি নোপোৱা পৰ্যন্ত নিবিড়ে অধৈৰ্যৰে পাৰ কৰে সময়বোৰ।

চিমি আহি পোৱাৰ পিচত দুয়ো একেলগে কথা পাতে, ফুৰিবলৈ যায়। এদিন নিবিড়ে ক'লে তাৰ ঘৰৰ অৱস্থাৰ কথা। ক'লে যে- এই সময়ত মোক চাকৰি এটাৰ ভীষণ প্ৰয়োজন। বৰ্তমান মোৰ ঘৰৰ যি অৱস্থা তাৰ কাৰণেহে মোক চাকৰি এটাৰ প্ৰয়োজন। দেউতাই যিখিনি দৰমহা পায় সেইখিনি মা আৰু দেউতাৰ চিকিৎসাতেই খৰচ হয় আৰু মই টিউচন কৰা পইচাখিনিৰে ময়ো পঢ়ি আছো, ভণ্টিকো পঢ়াই আছো। কি ক'ম আৰু তোমাক চিমি? মোৰ ঘৰুৱা সমস্যাৰ কথা। শুনা চিমি, মই তোমাক বহুত ভাল পাওঁ। কিন্তু, তুমি মোলৈ বিয়া হ'লে সকলো সুখ তোমাক দিব নোৱাৰিম। কিন্তু, মৰমেৰে জীয়াই ৰাখিব পাৰিম। নিবিড়ৰ কথা শুনি চিমিয়ে ক'লে— মোক ধনৰ সুখ নালাগে। মোক তোমাৰ মৰমহে লাগে।

এনেকৈয়ে সিহঁতৰ প্ৰেম চলি থাকিল। সদায় অপেক্ষা কৰাৰ দৰেই সিদিনাও নিবিড়ে কলেজৰ গেটৰ সন্মুখতে ৰৈ অপেক্ষা কৰিছিল চিমিৰ বাবে। হঠাৎ এখন 'মাৰুতি জেন' কাৰ আহি গেটৰ সন্মুখত ৰৈ গ'ল। কাৰৰ পৰা চিমি নামি আহি নিবিড়ৰ ফালে আগুৱাই আহিল আৰু ক'লে- 'নিবিড় আহাচোন, তোমাক এজনৰ লগত চিনাকী কৰাই দিওঁ।'

নিবিড়ে কাৰ খনলৈ চালে। এজন সুন্দৰ চেহেৰাৰ যুৱক চালকৰ আসনত বহি চিগাৰেট হুপি

আছে। নিবিড় গৈ কাৰখনৰ ওচৰ পোৱাত চিমিয়ে ক'লে- 'নিবিড় দা, এয়া মোৰ হাজবেণ্ড। আৰু অমিত এয়া মোৰ বেষ্ট ফ্ৰেইণ্ড নিবিড়।

হঠাতে নিবিড় হতভম্ব হৈ পৰিল। সি নিজকে নিজে সান্ত্বনা দিলে।

কি হ'ল নিবিড় আৰু চিমিৰ সেই প্ৰেমৰ মধুৰ সপোনবোৰ? কেনেকৈ পাহৰিলে চিমিয়ে সেই কথাবোৰ? আজি তাই ধনৰ বাবে ইমান ভাল প্ৰেমিক এজনক কেনেকৈ বাৰু এৰিব পাৰিলে। এয়াই নেকি সঁচা প্ৰেমৰ মূল্য।

এনেকৈয়ে দিনবোৰ পাৰ হৈ থাকিল। কিন্তু, নিবিড়ৰ বাবে এনেকুৱা এটা দিনো পাৰ নহ'ল যিটো দিনত সি চিমিক মনত কৰা নাই। এদিনাখন দিনৰ প্ৰায় চাৰে দহ মান বজাত চিমিক লগ পালে কলেজৰ সন্মুখত আৰু দুয়োৰে মাজত বহুত সময় কথা হ'ল। তেতিয়া চিমিয়ে ক'লে- 'চোৱা নিবিড় দা, মই দেউতাৰ ঘৰত কোনো অভাৱ পোৱা নাছিলো আৰু পিছত মই কেনেকৈ, কেনেকৈ ইমান অভাৱৰ মাজত জীয়াই থাকিম। মই অমিতৰ লগত সুখত থাকিব পাৰিম। কিন্তু তোমাৰ পৰা মই হয়তো বহুত মৰম পালোহেতেন। কিন্তু, মৰমেৰে জানো জীয়াই থাকিব পাৰি? জীয়াই থাকিব পাৰি মাথো ধনেৰে।' নিবিড়ে চিমিৰ মুখৰ পৰা এনেকুৱা কথা শুনি আচৰিত হ'ল। এইজনী চিমিয়ে আজি এনেকুৱা কথা কৈছে। কিন্তু, সিদিনাখন তাই প্ৰেমক আপুৰুগীয়া সম্পদ বুলি কৈছিল। কিন্তু কি হ'ল আজি সেই চিমি জনীৰ? নিবিড়ে নিজৰ কাণ খনকে বিশ্বাস কৰিব নোৱাৰা হ'ল।

এই খিনি কথা কৈ চিমি গুচি গ'ল। এনেকৈ দিন যোৱাৰ পিচত ভাল দৰমহাৰ চাকৰি এটা পালে নিবিড়ে আৰু নিবিড়ৰ আজি কি নাই? সকলো আছে। কিন্তু চিমিৰ অভাৱ আজি কেনেকৈ পূৰাব নিবিড়ে?

কিছুদিনৰ পিছত চিমি আৰু নিবিড়ৰ প্ৰেমক লৈ এখন উপন্যাস লিখি পেলালে নিবিড়ে। নিবিড় আৰু চিমিৰ মাজত ঘটা ঘটনাবোৰ প্ৰকৃত ৰূপ উপস্থাপন কৰিলে উপন্যাসখনত। উপন্যাসখনৰ নাম দিলে "চিমিৰ প্ৰেম"। এদিন চিমিৰ হাতত নিবিড়ে উপন্যাসখনৰ পাণ্ডুলিপি তুলি দি ক'লে- চোৱা এইখন উপন্যাস। মই প্ৰকাশ কৰিম। তেতিয়া চিমিয়ে ক'লে— 'তুমি যে মোৰ নাম দিলা কিয়?' নিবিড়ে ক'লে- ' চোৱা চিমি, ইয়াত সঁচা প্ৰেমৰ ঘটনা আছে।' চিমিয়ে কান্দি কান্দি ক'লে- 'প্লিজ নিবিড় দা, এইখন উপন্যাস প্ৰকাশ নকৰিবা। এয়া কৰিলে মোৰ সংসাৰখন ভাগি যাব। অমিতে বাৰু মোক কি বুলি ভাবিব?

নিবিড়ে ক'লে- 'কিয়, অমিতে জানিব লাগিব নহয় ধনৰ বাবে চিমি কিমান সলনি হ'ব পাৰে।' চিমিয়ে ক'লে- 'প্লিজ নিবিড় দা, তোমাক যি লাগে মই দিম। মাত্ৰ তুমি উপন্যাসখন ছপা নকৰিবা।' তেতিয়া নিবিড়ে পুনৰাই মনত পেলাই দিলে সিহঁতৰ প্ৰেমৰ স্মৃতি বোৰ। চিমিয়ে কান্দি কান্দি ক্ষমা খুজিলে নিবিড়ক আৰু উপন্যাসখন ছপা কৰিবলৈ ক'লে, লাগিলে অমিতে তাইক ত্যাগ কৰক। অমিতে তাইক এৰি দিলেও তাই ভয় নকৰে। তাই তেনেকৈয়ে জীয়াই থাকিব।

পিছদিনাখন তাই নিবিড়ৰ ঘৰলৈ আহি দেখা পালে যে নিবিড়ৰ ঘৰত তলা মৰা আছে। দুৱাৰ মুখত এখন চিঠি থৈ দিয়া আছে।

'চিমি,

মই জানো তুমি আহিবা, তুমি সকলো এৰি মোৰ কাষলৈ আহিবা। কিন্তু, তুমি মোক ভুল নুবুজিবা। মই তোমাক অমিতৰ পৰা আঁতৰাই নিব নিবিচাৰো। মই মাত্ৰ তোমাৰ ভুলটোহে ভাৰটোহে শুধৰাই দিব বিছাৰিছো। মই আশা কৰো তুমি যেন অমিতৰ লগত সুখত থকা। এটা কথাই মই জানো চিমি, তোমাৰ প্ৰেম সঁচা প্ৰেম নহয়। ই কেৱল এক মোহ। প্ৰেম সম্পৰ্কে তোমাৰ দৃষ্টিভংগী সলনি কৰা নহ'লে তোমাৰ এই মোহে এদিন অমিতকো তোমাৰ পৰা আঁতৰাই লৈ যাব।

যোৱা, ঘৰলৈ উভতি যোৱা। প্ৰকৃত প্ৰেমেৰে সফল পত্নী ৰূপে অমিতৰ অন্তৰত স্থান লাভ কৰা।"

ইতি—

তোমাৰ চিৰকালৰ প্ৰেমিক

'নিবিড়'

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আপোনালোকৰ সৎ চিন্তা, ভাৱনা, উৎসাহ আৰু সহায়-সহযোগিতাক স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰিলোঁ। যাৰ স্বতঃস্ফূৰ্ত্ত সহাৰিত মোৰ নিচিনা সাধাৰণ ব্যক্তি এজনক পাতিদৰং মহাবিদ্যালয়ৰ ২০১৫-২০১৬ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব পালনৰ জৰিয়তে এনেহেন মহান শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুবিধাকণ মোক দিলে তাৰ বাবে প্ৰতিজন সচেতন পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

অসমীয়া জাতিৰ অস্তিত্বৰ হকে যিসকল মহান নিষ্ঠাৱান ত্যাগী ব্যক্তিয়ে নিজৰ জীৱনকো তুচ্চ কৰি জাতিৰ বাবে প্ৰাণ আহুতি দিলে সেইসকল মহান ব্যক্তিৰ আত্মাৰ চিৰশান্তি কামনা কৰি আৰু পাতিদৰং মহাবিদ্যালয়ৰ আজিৰ ৰূপ পোৱাত যি সকল মহান ব্যক্তিয়ে চৰম ত্যাগ কৰিলে সেইসকল ব্যক্তিৰ সোঁৱৰণিৰে মই মোৰ প্ৰতিবেদন আৰম্ভ কৰিলোঁ।

সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাৰ আগতে বহুতো কথা ভাবিছিলো, বহু পৰিকল্পনা হাতত লৈছিলো; তাৰ কিছুমান পুৰণ কৰিছোঁ যদিও কিছুমান পৰিকল্পনা কল্পনা হৈয়ে থাকিল। কিন্তু কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই এনে কিছুমান বাস্তৱ পৰিৱেশ, কৰ্তৃপক্ষৰ অমনোযোগ, অৰ্থৰ অভাৱ আদিৰ সন্মুখীন হ'ব লগা হ'ল যিবিলাকে আমাৰ কাৰ্যভাৰ চলাই যোৱাত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে বাধাৰ সৃষ্টি কৰিছিল। আগন্তুক দিনবোৰত কৰ্তৃপক্ষই বৈ যোৱা কামবোৰ সম্পন্ন কৰিব বুলি আমাক আশা দিছে।

**প্ৰতিভা সপ্তাহ ঃ** বিগত বছৰৰ দৰে এই বেলিও চাৰিদিনীয়া কাৰ্যসূচীৰে সপ্তবিংশতিতম্‌ মহাবিদ্যালয়ৰ প্ৰতিভাসপ্তাহ পালন কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীশ্ৰীয়ম বৰকাকতিয়ে। বঁটা বিতৰণী সভা অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ বিষয়ববীয়াসকল। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, বৌদ্ধিক তথা সাংস্কৃতিক দিশৰ অনুশীলনৰ বাবে আমাৰ মহাবিদ্যালয় সপ্তাহ উৎযাপন কৰা হৈ আহিছে। আগন্তুক দিনত সমূহ ছাত্ৰ-ছাত্ৰীকে মহাবিদ্যালয় সপ্তাহ পালন কৰিবলৈ অনুৰোধ জনালোঁ।

**নৱাগত আদৰণি সভা ঃ** যোৱা কেইবছৰৰ দৰে এইবেলিও ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগত আলোচনা কৰি যোৱা ২৪ চেপ্তেম্বৰ শনিবাৰে নৱাগত আদৰণি সভাৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়। সেই উপলক্ষে ৰাতপুৱা ৮ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে পাতিদৰং মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীশ্ৰীয়ম বৰকাকতিয়ে। ৯ বজাত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মহাবিদ্যালয়ৰে সহঃ অধ্যাপিকা বুৰঞ্জী বিভাগৰ শ্ৰীসৰুযু কলিতাই। সতীৰ্থ সন্মিলন উদ্বোধন কৰে সহঃ অধ্যাপক অসমীয়া বিভাগৰ মাননীয় শ্ৰীদুলাল শৰ্মা চাৰে আৰু ইংৰাজী বিভাগৰ সহঃ অধ্যাপক মাননীয় মুকুটৰ ৰহমান চাৰে। দিনৰ ১২ বজাত অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীশ্ৰীয়ম বৰকাকতিয়ে। উক্ত অনুষ্ঠানত আমন্ত্ৰিত মুখ্য অতিথিৰ আসন শুৱনি কৰে কমলপুৰ সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীযুত সত্যব্ৰত কলিতা ডাঙৰীয়াই। ২ বজাত সাংস্কৃতিক অনুষ্ঠানৰ আমন্ত্ৰিত শিল্পীৰ আসন শুৱনি কৰে জেক আচলাম আৰু ৰুণীমা খাতুনৰ গীতৰ শৰাই।

সেয়েহে তেখেত সকললৈ আমাৰ মুকলি সভাত উপস্থিত হোৱাৰ বাবে আমি চিৰ কৃতজ্ঞ।

**সভা-সমিতি ঃ** বিগত বছৰটোত মহাবিদ্যালয়ত কেইবাখনো সভা আৰু আলোকচক্ৰ অনুষ্ঠিত হয়। ইয়াৰোপৰি শিক্ষক দিৱস, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, মিলাদ-এ-মেহফিল, বাথৌ পূজা আদি অনুষ্ঠিত হয়।

**অভাৱ-অভিযোগ ঃ** অনুষ্ঠান এখনত বিভিন্ন অভাৱ-অভিযোগ থকাটো স্বাভাৱিক। কিছুমান সমস্যা দূৰ কৰিলো, সেইবোৰ হ'ল- ইউনিয়ন ৰুম, গেট মেৰামতি, বিজুলী পাংখা ইত্যাদি। বিশেষ অন্যান্য কেইটামান কামৰ বাবে কৰ্তৃপক্ষক অৱগত কৰা হৈছে। কৰ্তৃপক্ষই ভৱিষ্যতে সমাধান হ'ব বুলি আমাক আশা দিছে। তাৰোপৰি আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই আমাৰ মহাবিদ্যালয়ৰ পথ মেৰামতি আৰু ছাত্ৰীৰ জিৰণী কোঠাৰ সমস্যা সমাধান কৰিব বুলি আমাক কথা দিছে।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্য কালত বিভিন্ন দিহা-পৰামৰ্শ দিয়া অধ্যাপক আৰু অধ্যাপিকা অসমীয়া বিভাগৰ শ্ৰীতপন শৰ্মা চাৰ আৰু মাননীয় শ্ৰীদুলাল শৰ্মা চাৰ। আৰবী বিভাগৰ বাহৰুল ইছলাম চাৰ আৰু বুৰঞ্জী বিভাগৰ শ্ৰীসৰযু কলিতা আৰু জেৰিনা বাইদেউক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

মোক বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধৱী সকল হ'ল- নিকুমণি ঠাকুৰীয়া, মফিদুল, বেন্‌জিমা, পাৰবিন বেগম, মুন, ৰাজশ্ৰী, লভিতা, আৰমিন্, চম্পু, চিন্তু, ৰাজেক, চবিনা, মুন্নি, ইনামুল, মজাফ্‌ফাৰ, বাৰবিন চোলতানা, আছমিনাৰা, মনিষা বৈশ্য, দিপা শৰণীয়া, সুৰভি শৰণীয়া, প্ৰিয়ংকা, উৎজল দাস।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে আৰু প্ৰতিবেদনত ৰৈ যোৱা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে সদৌটিৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে —
"জয়তু পাতিদৰং মহাবিদ্যালয়"

*মহঃ নজমুল হক*
*সাধাৰণ সম্পাদক*
*পাতিদৰং মহাবিদ্যালয়*
*ছাত্ৰ একতা সভা*

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সিসকল মহান ব্যক্তিক শ্ৰদ্ধা জনাইছো যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট, অশেষ ত্যাগেৰে পাতিদৰং মহাবিদ্যালয়ৰ নিচিনা এখন মহান অনুষ্ঠানৰ জন্ম দিছে।

২০১৫-১৬ বৰ্ষৰ সাধাৰণ সভাৰ নিৰ্বাচনত মই লঘু খেল বিভাগৰ সম্পাদক পদত প্ৰতিদন্দিতা কৰিছিলো। আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক এক বিশাল ভোটৰ ব্যৱধানত জয়যুক্ত কৰে। সেয়েহে মই পাতিদৰং মহাবিদ্যলয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ভিতৰচ'ৰাত থাকিবলৈ পাই মনতে বহুতো আনন্দ পাইছিলো। মই নাজানো যে মই ছাত্ৰ-একতা সভাৰ ভিতৰচ'ৰাত থাকি কি কৰিছো। কিন্তু মই যিখিনি কৰিব পাৰিছো তাত মই কোনো ধৰণৰ কৃপণালি কৰা নাই।

২০১৫-১৬ বৰ্ষৰ নিৰ্বাচনত জয়যুক্ত হোৱাৰ পিচত মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ আৰম্ভ হয়। এই প্ৰতিভা সপ্তাহত যিসকল ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল সেই সকল ছাত্ৰ-ছাত্ৰীক মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিভা সপ্তাহত অংশগ্ৰহণ কৰা নাই সেইসকল ছাত্ৰ-ছাত্ৰীয়ে যাতে আগন্তুক সময়ত অংশগ্ৰহণ কৰিব বুলি আশা কৰিলোঁ। মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহত মোক যথেষ্ট সহায় কৰা তপন চাৰ, মুকুল চাৰ, দিপক চাৰ, দুলাল চাৰৰ লগতে সমূহ চাৰ বাইদেউকে মই কৃতজ্ঞতা জনাইছো। লগতে মহাবিদ্যালয়ৰ মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউৰ ভিতৰত ধনমণি, প্ৰকাশ, চুৰেণ, কমল, কনকন, বৰ্ণালী, ৰিংকু, সঞ্জীৱ, প্ৰকাশ, জিতু, দিগন্তৰ লগতে প্ৰতিভা সপ্তাহত অংশগ্ৰহণ কৰা সমূহ ছাত্ৰ-ছাত্ৰীকে মই আন্তৰিক অভিনন্দন জনাইছো।

লঘু খেল বিভাগৰ সম্পাদক হৈ মই কিছু সমস্যাৰ সন্মুখীন হওঁ-

(ক) আমাৰ মহাবিদ্যালয়ত এখন উপযুক্ত খেল পথাৰ নাই।

(খ) আমাৰ মহাবিদ্যালয়ত উপযুক্ত পৰিমাণৰ খেলৰ সামগ্ৰী নাই।

(গ) খেলৰ বাবে যিখিনি সামগ্ৰী আছে, সেইখিনি থব পৰাকৈ এটা নিৰ্দিষ্ট কোঠা নাই।

মহাবিদ্যালয় কৰ্তৃপক্ষই যেন এই সমস্যাসমূহ সমাধানৰ চেষ্টা কৰে আৰু মই আশাবাদী যদিহে আমাৰা মহাবিদ্যালয়ৰ এই সমস্যাসমূহ সমাধান হয় তেতিয়াহলে আমাৰ মহাবিদ্যালয়ৰ পৰাই বহুতো ভাল খেলুৱৈ হ'ব পাৰিব।

প্ৰতিবেদনৰ শেষত মোৰ অজানিতে হোৱা ভুলৰ বাবে ক্ষমা মাগিছো।

"জয়তু পাতিদৰং মহাবিদ্যালয়
জয়তু পাতিদৰং মহাবিদ্যালয় আলোচনী"
জয় আই অসম।

ইতি—

*শ্ৰীডিকু কলিতা*
*লঘু খেল বিভাগৰ সম্পাদক*
*পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা*

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ চেষ্টা আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালখনে জন্ম লাভ কৰিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

ইং ২০১৫-১৬ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত গুৰু খেল বিভিগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়ত সেৱা আগবঢ়োৱা সুযোগ দিলে তাৰবাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইং ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহ আৰম্ভ হয়। প্ৰতিভা সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উলহ মালহেৰে অংশগ্ৰহণ কৰে আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে খেল প্ৰতিভা সপ্তাহত অংশগ্ৰহণ কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ গৌৰৱ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

"জয় আই অসম।"
"জয়তু পাতিদৰং মহাবিদ্যালয়"

ইতি—
*শ্ৰীকমল ডেকা*
*গুৰু খেল বিভাগৰ সম্পাদক*
*পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা*

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু প্ৰচেষ্টাত এই মহান অনুষ্ঠানটি গঢ়ি উঠিল, সেইসকল মহান ব্যক্তিলৈ কৃতজ্ঞতা জনাইছো।

মই ২০১৫-১৬ ইং চনৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠা সম্পাদক বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈ কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

মোৰ কাৰ্যকালত কিমানখিনি কাম কৰিব পাৰিলো সেইখিনি আপোনালোকে বিবেচনা কৰিব আৰু যিমানখিনি কৰণীয় থাকিল সেইখিনি নিশ্চয় পৰৱৰ্তী বিষয়ববীয়া সকলে পূৰণ কৰিব।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

"জয়তু পাতিদৰং মহাবিদ্যালয়"
"জয়তু পাতিদৰং মহাবিদ্যালয় আলোচনী"
"জয় আই অসম।"

ইতি—
*শ্ৰীঅমৰজ্যোতি ডেকা*
*জিৰণি কোঠাৰ সম্পাদক*
*পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা*

# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বুলনিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত শ্বহীদ সকললৈ মোৰ হৃদয় শোণিতেৰে পুষ্পাঞ্জলী অৰ্পিছো। লগতে যি সকল মহান ব্যক্তিৰ শ্ৰম আৰু প্ৰচেষ্টাৰ ফলত পাতিদৰং মহাবিদ্যালয়খন স্থাপন কৰিবলৈ সক্ষম হ'ল সেই সকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদিছো।

২০১৫-১৬ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দিতাৰে পাতিদৰং মহাবিদ্যালয়ৰ লেখীয়া এখন মহাবিদ্যালয়ত সমাজসেৱা বিভাগৰ সম্পাদিকাৰ দায়িত্ব বহন কৰাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰঋণী।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাচতে মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহৰ আৰম্ভ হয়। এই প্ৰতিভা সপ্তাহৰ লগে লগে মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা হয়। আমাৰ এই পাতিদৰং মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে, হাতত দা, জাৰু তুলি ল'বলৈ লাজ কৰে। এই বাক্যফাঁকি অপ্ৰিয় হ'লেও সত্য।

দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি মহাবিদ্যালয়ৰ চৌহদত যি কৰিছো সেয়া এক নগণ্য অংশহে। ইয়াৰ মূল কাৰণ হ'ল মহাবিদ্যালয়ৰ আৰ্থিক অভাৱ। নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সীমাহীন অভাৱ পূৰণ কৰাটো কাৰো পক্ষই সম্ভৱ নহয়। আশা কৰো, উত্তৰসুৰী সকলে তাক পূৰণ কৰাৰ বাবে যত্ন কৰিব।

প্ৰতিবেদনৰ সামৰণিত মোক দিহা-পৰামৰ্শ দি অনুপ্ৰেৰণা যোগোৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ লগতে ছাত্ৰসন্থাৰ সমূহ বিষয় ববীয়াৰ ওচৰত চিৰ-কৃতজ্ঞতা অৰ্পণ কৰিছো। এই ক্ষেত্ৰত মোক বিভিন্ন দিশত সহায় কৰাৰ বাবে মোৰ বন্ধু জিন্তু আৰু ভাইটি সোণেশ্বৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্য্যকালত সীমিত জ্ঞানেৰে কৰা বিভিন্ন কথাত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

ইতি—

*শ্ৰীবৰ্ণালী ডেকা*
*সম্পাদিকা, সমাজসেৱা বিভাগ*
*পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা*

বিঃদ্ৰঃ- সময়মতে প্ৰতিবেদন নোপোৱা বাবে কিছু প্ৰতিবেদন প্ৰকাশ কৰিব পৰা নগ'ল। তাৰবাবে সম্পাদনা সমিতি দায়ী নহয়।

# পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকবৃন্দ

| সংখ্যা | বৰ্ষ | সম্পাদক |
|---|---|---|
| ১ম | ১৯৮৯—১৯৯০ বৰ্ষ | শ্ৰীলংকেশ্বৰ ডেকা |
| ২য় | ১৯৯০—১৯৯১ বৰ্ষ | শ্ৰীসবিতা দাস |
| ৩য় | ১৯৯১—১৯৯২ বৰ্ষ | শ্ৰীতৰ্জন দাস |
| ৪ৰ্থ | ১৯৯২—১৯৯৩ বৰ্ষ | শ্ৰীবনমালী দাস |
| ৫ম | ১৯৯৩—১৯৯৪ বৰ্ষ | শ্ৰীসত্যেন্দ্ৰ কলিতা |
| ৬ষ্ঠ | ১৯৯৪—১৯৯৫ বৰ্ষ | শ্ৰীকৃষ্ণকান্ত ডেকা |
| — | ১৯৯৫—১৯৯৬ বৰ্ষ প্ৰকাশ নহ'ল | — — — |
| ৭ম | ১৯৯৬—১৯৯৭ বৰ্ষ | শ্ৰীভৈৰৱ ডেকা |
| ৮ম | ১৯৯৭—১৯৯৮ বৰ্ষ | শ্ৰীকমল নাৰায়ণ বৈশ্য |
| ৯ম | ১৯৯৮—১৯৯৯ বৰ্ষ | মহঃ মোজামিল হক |
| ১০ম | ১৯৯৯—২০০০ বৰ্ষ | শ্ৰীতপন চন্দ্ৰ ডেকা |
| ১১তম্ | ২০০০—২০০১ বৰ্ষ | শ্ৰীনৰজিৎ ডেকা |
| ১২তম্ | ২০০১—২০০২ বৰ্ষ | মহঃ নজৰুল ইছলাম |
| ১৩তম্ | ২০০২—২০০৩ বৰ্ষ | শ্ৰীৰমনী শৰ্মা |
| ১৪তম্ | ২০০৩—২০০৪ বৰ্ষ | মহঃ মুস্তাকিন হক |
| ১৫তম্ | ২০০৪—২০০৫ বৰ্ষ | শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা |
| ১৬তম্ | ২০০৫—২০০৬ বৰ্ষ | শ্ৰীহেৰম্ব শৰ্মা |
| ১৭তম্ | ২০০৬—২০০৭ বৰ্ষ | শ্ৰীৰাকেশ কুমাৰ ডেকা |
| ১৮তম্ | ২০০৭—২০০৮ বৰ্ষ | শ্ৰীঅম্বিকা প্ৰসাদ বড়ো |
| ১৯তম্ | ২০০৮—২০০৯ বৰ্ষ | শ্ৰীভদ্ৰেশ্বৰ দাস |
| ২০তম্ | ২০০৯—২০১০ বৰ্ষ | মহঃ ছহিদুল ইছলাম |
| ২১তম্ | ২০১০—২০১১ বৰ্ষ | শ্ৰীমানৰ ডেকা |
| ২২তম্ | ২০১১—২০১২ বৰ্ষ | শ্ৰীদিপ্তী ডেকা |
| ২৩তম্ | ২০১২—২০১৩ বৰ্ষ | শ্ৰীসোনাতন ডেকা |
| ২৪তম্ | ২০১৩—২০১৪ বৰ্ষ | মহঃ চমচেৰুদ্দিন আহমেদ |
| ২৫তম্ | ২০১৪—২০১৫ বৰ্ষ | শ্ৰীজিতু ডেকা |

# তিনিটা গুৰুত্ব মহত্ব

- তিনিটা বস্তুৱে কাকো অপেক্ষা নকৰে।
- জন্ম, মৃত্যু আৰু সময়।
- তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায়।
- পিতৃ, মাতৃ আৰু যৌৱন।
- তিনিজনক সদায় সন্মান কৰিব লাগে।
- পিতৃ, মাতৃ আৰু গুৰু।
- তিনিটা বস্তুৰ পৰা নিজকে সদায় বচাই চলিব লাগে।
- কু-সংগ, আত্মস্বাৰ্থ আৰু পৰনিন্দা।
- তিনিজনৰ প্ৰতি দয়াশীল হ'ব লাগে।
- নাবালক, ভয়াতুৰ আৰু পাগল।
- তিনিটা বস্তুৱে জীৱনক নষ্ট কৰে।
- কু-চৰিত্ৰ, আলস্য আৰু অহংকাৰ।


*সংগ্ৰহ - নিতা মণি কলিতা, স্নাতক প্ৰথম বৰ্ষ*

# জানানে কাক কি কয়?

| | | |
|---|---|---|
| ৰূপকোঁৱৰ | — | জ্যোতিপ্ৰসাদ আগৰৱালা |
| বাগ্মীবৰ | — | নীলমণি ফুকন |
| ঢোলৰ যাদুকৰ | — | মঘাই ওজা |
| প্ৰতিমাৰ খনিকৰ | — | চন্দ্ৰকুমাৰ আগৰৱালা |
| বেসম কেমৰী | — | অম্বিকাগিৰি ৰায়চৌধুৰী |
| লোকনায়ক | — | অমিয় কুমাৰ দাস |
| লোকবন্ধু | — | ডঃ ভূৱনেশ্বৰ বৰুৱা |
| সিংহপুৰুষ | — | ৰাধা গোবিন্দ বৰুৱা |
| লোহ মানৱ | — | বিষ্ণুৰাম মেধি |
| কৰ্মবীৰ | — | নবীন চন্দ্ৰ বৰদলৈ |
| দেশভক্ত | — | তৰুণৰাম ফুকন |

*সংগ্ৰাহিকা ঃ উষা বৰুৱা, স্নাতক তৃতীয় বৰ্ষ*






DRIFT KING